চান্দমামা

জুলাই ১৯৯০

I HAVE 14 BEST FRIENDS
TO HELP ME
TOP MY CLASS
6H for Linework
Apsara DRAWING
B to 6B
Apsara
A U S ALIA
HB for Writing
Apsara DRAWING
Apsara Drawing Pencils come in 14 grades and help me in so... so many subjects. My classmates also include Apsara Poster Colours, Water Colour Tubes, Oil Pastels and Wax Crayons. All, toppers.
Apsara®
DRAWING PENCILS
For information, write to:
Hindustan Pencils Limited,
510, Himalaya House, Bombay-400 001.

National-356

চান্দমামা

*

জুলাই ১৯৯০

গৌতম গোস্বামী
৯-৭-১৯৯০

এই * আছে

সংখ্যাত

*

প্ৰকৃতিৰ প্ৰতিশোধ	৭	সাহিত্যৰ কিছু কথা :	৩৬
কাশ্মীৰ বাস্তৱ—কল্পনা :	৯	দিব্যপুৰুষ ক'ত থাকে :	৩৭
গোম সাপৰ কণী :	১১	আইতাকৰ হাঁহি :	৪১
দস্যু যুৱৰাজ :	১৭	শ্ৰীজগন্নাথ-কথা :	৪৫
যাক ধেহাব নোৱাৰি :	২৫	বিচক্ষণ বান্দৰ :	৫৩
জনাৰ ভাত-মাছ :	৩০	এটকীয়া ইজ্জত :	৫৮
জ্ঞান-ভাণ্ডাৰ :	৩৩	কচুৰ কটাৰী :	৫৯
কুৰুক্ষেত্ৰ :	৩৪	প্ৰকৃতিৰ বিস্ময় :	৬৩

*

চান্দমামা

খনে: ৩০·০০ বছৰেকীয়া বৰঙণি ৩৬·০০টকা মাথোন

'চান্দমামা'ৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ

নতুন ঠিকনা ৬৫ পৃষ্ঠাত চাওক

চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.



Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

প্ৰকৃতিৰ প্ৰতিশোধ

অহা বিছ বছৰৰ ভিতৰত পৃথিৱীৰ ষষ্ঠ বৃহৎ সাগৰ সম্পূৰ্ণৰূপে শুকাই যাব বুলি কল্পনা কৰিব পাৰিনে ? এই ঘটনা ২০১০ চনত ঘটিব। বিশ্বাস কৰক বা নকৰকেই —ৰুশ্ দেশৰ আৰল সাগৰৰ পানী ইতিমধ্যেই তিনিভাগৰ দুভাগ শুকাই গ'ল !

কপাহৰ উৎপাদন বৰ্দ্ধিত কৰাৰ বাবে ৰুশ্ দেশৰ আমু দৰিয়া আৰু শিৰ্ দৰিয়া নামৰ ডাঙৰ নৈ দুখনৰ পানী ভিনমুখে পৰিচালিত কৰাতহে এই অভাবিত বিপৰ্য্যয় মানুহৰদ্বাৰাইহে সৃষ্টি হৈছে। তেতিয়া এই নৈ দুখনৰ পানীৰ অবিহনে সাগৰ শুকাই যোৱাৰ বিপদৰ কথা কোনেও ভবা নাছিল। এতিয়াহে দৃষ্টিগোচৰ হৈছে। কিন্তু এতিয়া আৰু উপায়ো নাই।

যদিও —ছোভিয়েত দেশৰ বৰ্তমান বিজ্ঞ নেতৃত্বই এই সাগৰক ৰক্ষাৰ বাবে পৃথিৱীৰ অন্যান্য বিশেষজ্ঞৰ সহায় লৈ কিবা এটা কৰিব বুলি আশা কৰিব পাৰি।

আৰু আশা কৰিব পাৰি যে— প্ৰকৃতিৰ বিৰুদ্ধে যুঁজাৰ আগতে মানুহে এইবাৰৰপৰা তেনে কাম কৰাৰ আগতে সহস্ৰবাৰ ভাবি চাব। মৃত্যুমুখী আৰল সাগৰ হ'ল এক স্পষ্ট সাৱধান-বাণী

বছৰ : ১৫   জুলাই ১৯৯০   সংখ্যা : ৪

খনে : ৩'০০ টকা   : :   বছৰেকীয়া বৰঙণি : ৩৬'০০ টকা

A CHANDAMAMA PUBLICATION

MAGGI CLUBBERS FUN LOVERS
MAGGI
CLUB
লজ অফ দা জাংগ্‌ল গেম
স্নেপ
ছাফাৰি গেম
মেগী ক্লাবঃ আহা
লওঁ বনৰ আনন্দ!
বিনামূল্যে!
তোমাৰ উপহাৰবোৰ পাবা
মেগী নুডল্সৰ 5 টা খালি পেকেটৰ
সমুখৰফালৰ পৰা এই চিহ্নটো কাটা আৰু তোমাৰ পচন্দৰ যিকোনো এটা উপহাৰ বিনামূল্যে পাবৰ বাবে আমালৈ পঠাই দিয়া। প্ৰতিটো উপহাৰৰ বাবে এনে পাঁচটাকৈ চিহ্ন পঠাবা। তুমি 6ৰ পৰা 8 সপ্তাহৰ ভিতৰতে মেগী ক্লাবৰ পৰা ৰং তামাচাৰে ভৰা মনোমোহা উপহাৰটো পাবা!
মনত ৰাখিবা ঃ
যদিহে তুমি মেগী ক্লাবৰ সদস্য হোৱা নাই তেন্তে আমালৈ লিখোতে তুমি বিচৰা উপহাৰৰ নামটো সহ নিজৰ নাম আৰু ঠিকনা জনাবলৈ নাপাহৰিবা। তুমি যদি মেগী ক্লাবৰ সদস্য তেন্তে সদস্য নম্বৰটোও জনাবলৈ নাপাহৰিবা।
ডিজনী টুডে কমিক
'ফৰেস্ট ফেচেজ' কেপ আৰু মাস্ক্
MAGGI
2-Minute noodles
আমাৰ ঠিকনা ঃ দা মেগী ক্লাব,
পোষ্ট বক্স 5788, নিউ দিল্লী-110055
জাংগ্‌ল স্টেন্‌ডীজ ছে'ট

কাশ্মীৰ: বাস্তৱ—কল্পনা



কিংবদন্তিৰ মতে: আমাৰ কশ্যপ মুনিৰ নামৰপৰা 'কাশ্মীৰ' নামৰ উদ্ভৱ হৈছে। প্ৰাচীন কালত ভাৰতবৰ্ষত আজিৰ দিনতকৈ অনেক অধিক সংখ্যক ৰাজ্য আছিল। এইবোৰ ৰাজ্য কোনো বিধান সভাই বা মন্ত্ৰিসভাই শাসন নকৰিছিল।

ৰজা সকলেহে শাসন কৰিছিল। কিন্তু সেই সকলো ৰাজ্যয়েই আছিল ভাৰতবৰ্ষৰ অন্তৰ্ভুক্ত। কোনো ৰজা-মহাৰজায়েই তেওঁৰ ৰাজ্য ভাৰতবৰ্ষৰ বাহিৰত বুলি নকৈছিল।

পৰৱৰ্তীকালত, ভাৰতৰ স্বাধীনতা যুদ্ধৰ শেষৰ ফালে, জনাব মহম্মদ আলী জিন্নাহৰ নেতৃত্বত মুছলিম লিগে ভাৰতৰ মোস্লেম লোকসকলৰ কাৰণে স্বতন্ত্ৰ ভূখণ্ডলৈ দাবী জনালে। এই দাবীৰ অন্তৰালত আছিল ইংৰাজৰ অভিসন্ধি। বহুতো মোস্লেম নেতাই এই দাবীৰ বিৰোধিতা কৰা সত্বেও পাছত ভাৰতবৰ্ষ দ্বিখণ্ডিত হৈছিল আৰু এইদৰে সাৰ্বভৌমপাকিস্তানৰ স্থষ্টি হৈছিল।

জম্মু আৰু কাশ্মীৰৰ মহাৰাজ স্যাৰ হৰি সিঙে তেতিয়ালৈকো মনস্থিৰ কৰিব পৰা নাছিল যে তেওঁ কি কৰিব। কিন্তু পাকিস্তান অধৈৰ্য্য হৈ উঠিল আৰু উপ-জাতীয় মানুহবিলাকক প্ৰৰোচিত কৰি কাশ্মীৰলৈ অভিযানৰ নামত অনুপ্ৰবেশ কৰাই উৎপাদন কৰিবলৈ ধৰিলে। যেতিয়া কাশ্মীৰৰ অবিসম্বাদী নেতা শ্বেখ আবদুল্লাৰ পৰামৰ্শমতে মহাৰাজ হৰি সিঙে ভাৰতীয় যুক্তৰাষ্ট্ৰত যোগদান কৰিলে, তেতিয়া ভাৰত-চৰকাৰে তৎমুহূৰ্ততে ভাৰতীয় সৈন্য-বাহিনীক কাশ্মীৰলৈ প্ৰেৰণ কৰিলে, আৰু ভাৰতীয় সৈন্যই অনুপ্ৰবেশকাৰীহঁতক খেদিলে। কিন্তু ইতিমধ্যেই অনুপ্ৰবেশ-কাৰীহঁতে কাশ্মীৰৰ এক বিৰাট অংশ অন্যায়ভাবে অধিকাৰ কৰিলৈছিল। সদ্যে স্বাধীনতা প্ৰাপ্ত ভাৰতে ইচ্ছা হ'লে তেজৰ ঢল বোৱাই অনুপ্ৰবেশকাৰীহঁতক খেদি কাশ্মীৰৰ সেই অংশ নিশ্চয় মুক্ত কৰিব পাৰিলেহেঁতেন। কিন্তু ভাৰতবৰ্ষই সংযম প্ৰদৰ্শন কৰি এই বিষয়টোক সন্মিলিত জাতিপুঞ্জৰ নিৰাপত্তা পৰিষদত উত্থাপন কৰি ভদ্ৰতা প্ৰদৰ্শন কৰিলে।

অনুপ্ৰবেশকাৰীহঁতৰ হতুৱা এই অধিকৃত অঞ্চলৰ নাম পাকিস্তানে 'আজাদ কাশ্মীৰ' বুলি জগতৰ আগত জাহিৰ কৰিলে। এই অধিকৃত অংশ অধিবাসীহঁতৰ অশিক্ষা, দাৰিদ্ৰ্য আৰু লাঞ্ছনাৰ সীমা নাই। কিন্তু ভাৰতৰ সৈতে যুক্ত কাশ্মীৰৰ জন-জীৱনৰ চিত্ৰ সম্পূৰ্ণ বিপৰীত।

এই কথা এতিয়া এক প্ৰমাণিত সত্য যে ধৰ্মৰ ভিত্তিত গঠিত দেশৰ কোনো অৰ্থ নাই। যেনে বাংদেশৰ গৰিষ্ঠসংখ্যক অধিবাসী মোস্লেম; কিন্তু তেওঁলোকে পাকিস্তানৰ সৈতে সম্পৰ্ক ছিন্ন কৰিছে। আমাৰ ভাৰতত পাকিস্তানত থকাতকৈ ঢেৰ অধিক সংখ্যক মুছলমানমান অধিবাসী আছে। কিন্তু কিছুমান মানুহ চকু থাকিও খালত পৰা বিধৰ। পাকিস্তানে কাশ্মীৰী-সকলক মিছা আশাৰে আশান্বিত কৰি কল্পনাৰ ৰহণ বোলাই হিংসা, অৰাজকতা, অপহৰণ আৰু হত্যাৰ শিক্ষাৰে শিক্ষিত কৰি তুলিবলৈ, আইন-শৃংখলা বিনষ্ট কৰিবলৈ দেহে-কেহে চেষ্টা চলাইছে।

এইদৰে কাশ্মীৰ এতিয়া এক দুঃসময়ৰ মাজেদিয়েই প্ৰগতিৰ পথলৈ লাহে লাহে ধাবলগীয়া হৈছে।

গোম্ম সাপৰ কথা

সুমপুৰী ৰাজ্যৰ ৰজা কীৰ্তিসেন আছিল অতি প্ৰতাপী কিন্তু শান্তিপ্ৰিয় ৰজা। তেওঁৰ শাসনত প্ৰজা আছিল সুখী তথা সমৃদ্ধিৱান। কীৰ্তিসেনৰ বিদূষী পত্নী ৰাণী প্ৰিয়ংবদা আছিল অতি অভিজাত আৰু গুণসম্পন্না; কিন্তু তেওঁৰ আক্ষেপ তেওঁ পুত্ৰৱতী হ'ব নোৱাৰিলে। বহু ধৰণৰ ব্ৰত-উপাসনা-মানস আদি উদযাপন কৰা সত্বেও একো ফল নহ'ল।

তেতিয়া ৰাণী প্ৰিয়ংবদাই ৰজাক বুজাই-বৰাই পুনৰ্বিবাহৰ বাবে সন্মত কৰাবলৈ চেষ্টা কৰি থাকিল। মহাৰাজ কীৰ্তিসেনে ৰাণীৰ এনেবোৰ কথা ধেমালিতে উৰাই দি থাকিল।

কিন্তু তাৰ পাছত এদিন ৰজাই ৰাণীৰ কথা মানি ল'লে আৰু মানি লৈ দ্বিতীয় বাৰলৈ বিবাহ কৰালে।

চাওঁতে চাওঁতে সৰু ৰাণী স্বয়ংপ্ৰভা পুত্ৰৱতী হ'ল। এই পুত্ৰৰ নাম হ'ল বিজয়। আৰু সৰু ৰাণী পুত্ৰৱতী হোৱাৰ কিছুদিনৰ অন্তত বৰ ৰাণী প্ৰিয়ংবদাও পুত্ৰৱতী হ'ল। এই পুত্ৰটিৰ নাম হ'ল আদিত্য।

বিজয় আৰু আদিত্য ডাঙৰ-দীঘল হৈ উঠিল। ৰাজকুমাৰদ্বয়ক বিভিন্ন বিদ্যা শিক্ষাৰ বাবে গুৰুৰ আশ্ৰমলৈ পঠোৱা হ'ল। অন্যান্য বিদ্যাৰ লগত ক্ষাত্ৰবিদ্যা, অৰ্থাৎ যুদ্ধবিদ্যাতো দুয়ো ৰাজকোঁৱৰেই পাৰদৰ্শিতা আৰ্জিলে। আৰু বিদ্যাশিক্ষাৰ সমাপ্তিৰ অন্তত গুৰুৰ আশীৰ্বাদ লাভ কৰি দুয়ো পুনৰ ৰাজপ্ৰাসাদলৈ উভতি আহিল।

ইপিনে—ৰজা কীৰ্তিসেন তেতিয়া যথেষ্ট বৃদ্ধ হ'ল। ৰজাই তেতিয়া ভাবি আছিল

মনিকা ঠাকুৰ

যে দুয়োজন ৰাজকোঁৱৰৰ মাজত ৰাজ-সিংহাসনত কাক অধিষ্ঠিত কৰিব। ৰাজ-পৰিয়াল প্ৰাচীন ঐতিহ্য অনুসৰণ কৰিলে ৰাণীৰ পুত্ৰ আদিত্যকে ৰজা পাতিব লাগে। কিন্তু বৰ ৰাণীৰ পুত্ৰ হোৱা সত্বেও আদিত্য সৰু ৰাণীৰ পুত্ৰতকৈ বয়সত সৰু।

গতিকে—বহু ধৰণে ভাবিও মহাৰাজ কীৰ্তিসেনে এই সমস্যাৰ সমাধান কৰিব নোৱাৰিলে। আৰু ঠিক তেতিয়াই গুপ্ত-চৰহঁতে এই বাতৰি কঢ়িয়াই আনিলে যে—হিমগিৰিৰ ৰজা সহস্ৰাক্ষই সুমপুৰী আক্ৰমণ কৰিবলৈ যো-জা কৰি আছে।

ৰজা সহস্ৰাক্ষ আছিল অতি শক্তিমান ৰজা আৰু ইপিনে ৰজা কীৰ্তিসেনৰ বয়সে তেতিয়া ভাটি দিছে। কীৰ্তিসেনৰ যুদ্ধলৈ সদায় ভয়, এতিয়া তো কথাই নাই। এই অৱস্থাত—তেওঁ যে কি কৰিব-কি নকৰিব একো ভাবি উলিয়াব নোৱাৰা হ'ল।

অৱশ্যে—তেওঁৰ দুজন পুত্ৰ আছে, আৰু সিহঁতো যুদ্ধত অতি পাৰদৰ্শী। তথাপি সহস্ৰাক্ষহেন দানৱ-সদৃশ যুদ্ধলোলুপ শত্ৰুৰ সন্মুখীন হোৱাৰ যোগ্যতা সিহঁতৰ হ'বনে?

পিতৃৰ কথাৰ উত্তৰত পুত্ৰ বিজয়ে ক'লে, "দেউতা, আমি কাপুৰুষ নহওঁ। আমি পিছ হুঁহুকি নাযাওঁ।"

"ঠিক। আমি শত্ৰুৰ বিৰুদ্ধে যথাযোগ্য ৰণ দিম। জয় বা পৰাজয়—পাছৰ কথা।" আদিত্যয়ো ক'লে।

ৰজা কীৰ্তিসেনে শান্ত কণ্ঠেৰে দুয়োকো ক'লে, "চোৱাঁ, যুদ্ধত বিজয় উগ্ৰতাৰে নহ'ব, সুস্থ মস্তিষ্কেৰে ধীৰে-শাঁতে চিন্তা কৰি কৰিব লাগিব। যুদ্ধত কেৱল শকতিয়েই স্বৰ্বস্ব নহয়।"

এই কথাৰ উত্তৰত দুয়োজন ৰাজ-কোঁৱৰ মনে মনে থাকিল

সিদিনাই পুনৰ সন্ধ্যাকালত যেতিয়া পুত্ৰদ্বয়ৰ সৈতে মহাৰাজ কীৰ্তিসেনে আলোচনা-বিলোচনা কৰি আছিল, তেতিয়া প্ৰাসাদৰ দুৱৰীয়ে মহাৰাজক

ক'লেহি যে মন্ত্ৰপাল নামৰ পণ্ডিত এগৰাকী ৰাজ-দৰ্শনৰ বাবে বৈ আছেহি। ৰজা কীৰ্তিসেনে তৎক্ষণাৎ পণ্ডিত মন্ত্ৰপালক লৈ আহিবলৈ ক'লে।

আহিয়েই তাত ৰাজকোঁৱৰদ্বয়ক দেখা পাই মন্ত্ৰপালে সোঁহাতখন দাঙি ৰাজ-কুমাৰদ্বয়ক ক'লে "বিজয়ী ভব!"

মহাৰাজ কীৰ্তিসেনে পণ্ডিত মন্ত্ৰপাললৈ সপ্ৰশংস দৃষ্টিৰে চালে আৰু ক'লে, "পণ্ডিতজী! মহাবলী শত্ৰুৰ বিৰুদ্ধে যুঁজিবৰ কালত আপোনাৰ এনে আশীৰ্বাদ যথাৰ্থতে ফলপ্ৰদ হ'ব।"

পণ্ডিত মন্ত্ৰপালে মহাৰাজ ক'লে, "মহাৰাজ,! মই শক্তিৰূপিণী নামৰ মন্ত্ৰৰ অধিকাৰী। এই মন্ত্ৰৰ সহায়ত এজনৰ দেহস্থ শক্তি আন এজনৰ দেহলৈ প্ৰৱেশ কৰাই অতি বলীয়ান কৰি তুলিব পাৰি। অৱশ্যে—যিজনৰ দেহস্থ শক্তি লোৱা হ'ব, তেওঁ স্বেচ্ছাই সম্মতি দিব লাগিব আৰু পৰস্পৰ একেই বংশৰ তথা একেই ৰক্তৰ অধিকাৰীও হ'ব লাগিব। এই মন্ত্ৰৰ সহায়তাৰে আপুনি শত্ৰুক অৱশ্যেই পৰাজিত কৰিব পাৰিব।"

মহাৰাজ কীৰ্তিসেনে ক'লে, "পণ্ডিতজী, আপোনাৰ মনত যি আছে — আমাক স্পষ্টকৈ কওক।"

মন্ত্ৰপালে মৃদুকৈ হাঁহি মাৰি ক'লে, "যুদ্ধত যদি দুয়োজন ৰাজকোঁৱৰ একেলগে সহস্ৰাক্ষৰ বিৰুদ্ধে জঁপিয়াই পৰে, সেয়া ক্ষাত্ৰধৰ্মৰ বিৰোধী কাৰ্য্য হ'ব। গতিকে— যিকোনো এজন ৰাজকোঁৱৰৰ গাত অন্য জনৰ শক্তি সঞ্চাৰ কৰিলেহে এই যুদ্ধত আপোনাৰ বিজয় সুনিশ্চিত হ'ব আৰু আপোনাৰ নাম-খ্যাতিও সকলোতে বিয়পি পৰিব।"

মহাৰাজ কীৰ্তিসেনে ক'লে, "পণ্ডিতজী' আপোনাৰ যুক্তিপূৰ্ণ কথা বাস্তৱিকতে সদৰ্থক। আপুনি কোৱা মতেই সকলো কাম কৰা হ'ব।"

কিন্তু এই প্ৰস্তাৱত ৰাজকোঁৱৰ আদিত্য সন্মত নহ'ল। আদিত্যই ক'লে, "এই কাৰ্য্য—দৰাচলতে প্ৰতাৰণাৰহে সমান। ছলাহীৰে শত্ৰুক পৰাজিত কৰাটো কদাপি ক্ষাত্ৰধৰ্ম নহয়। বিজয়ৰ দেহৰ শক্তি মন্ত্ৰবলেৰে শুহি লৈ, দুজনৰ শক্তিৰে শক্তিমান হৈ এজন ৰজাৰ বিৰুদ্ধে ৰণ দি কোনোমতে বিজয়ী হোৱাৰ ইচ্ছা মোৰ সমূলি নাই।"

ৰাজকোঁৱৰ বিজয়ে অতি শান্ত কণ্ঠেৰে ক'লে, "বিপদকালত যিকোনো উপায়েৰে কাৰ্য্যসিদ্ধেয়েই হ'ল কথা। যুদ্ধৰ কৌশলত ন্যায়-অন্যায়-প্ৰতাৰণা বোলা একো নাই। এই ক্ষেত্ৰত ৰাজনীতি হ'ল আচল কথা। যুদ্ধত বিজয়ী হোৱাৰ বাবে সকলো কৰিব পাৰি, সেয়ে প্ৰকৃত ৰাজধৰ্ম।"

মহাৰাজ কীৰ্তিসেনে বিজয়ক সুধিলে, "বিজয়, এই যুদ্ধজয়ৰ বাবে তুমি তোমাৰ দেহশক্তি আদিত্যক প্ৰদান কৰিবলৈ সাজু আছানে?"

বিজয়ে সন্মতি জ্ঞাপন কৰিলে।

তেতিয়া আদিত্যই ক'লে, "যিকোনো বীৰে বীৰতা প্ৰদৰ্শন কৰিবলৈ গৈ মৃত্যু বৰণ কৰিব পাৰে; কিন্তু আত্মশক্তি বিলাই দিব নোৱাৰে।"

তাৰ পাছত আদিত্যই ক'লে যে—সহস্ৰাক্ষৰ বিৰুদ্ধে বিজয়ী হ'বলৈ অন্য কোনো উপায় উলিয়াব লাগিব।

তেতিয়া মন্ত্ৰপালে ক'লে, "ৰাজকুমাৰ, এতিয়া আৰু কথা চোবোৱাৰ সময় নাই, আক্ৰমণ আসন্ন। গতিকে—তোমালোকৰ মাজত যদি এজন তোমালোকৰ দেউতাৰাক শক্তিখিনি দিয়া; তেনেহ'লে তেওঁেই শত্ৰুৰ বিৰুদ্ধে যুঁজিব পাৰিব।"

বিজয় এই প্ৰস্তাৱত মান্তি হ'ল; কিন্তু আদিত্য নহ'ল। আদিত্যই বিজয়ক তাৰ দেহশক্তি দিব খুজিলে, যদিও দিয়াৰ আগতে মন্ত্ৰপালৰ সৈতে একান্ত-ভাৱে কিছু কথা পাতি ল'ব খুজিলে।

আদিত্যই মন্ত্ৰপালৰ সৈতে গোপনভাবে কথা পাতি আহিল আৰু তাৰ পাছত আদিত্যই তাৰ দেহশক্তি বিজয়ক প্ৰদান কৰিলে। আৰু পাছত—বিজয় সহস্ৰাক্ষৰ বিৰুদ্ধে ৰণ দিবলৈ গ'ল আৰু এই অতি গুৰুত্বপূৰ্ণ ৰণত বিজয়ী হৈ সগৰ্বে উভতি আহিল।

তাৰ পাছত মহাৰাজ কীৰ্তিসেনে পণ্ডিত মন্ত্ৰপালক মাতি আনিবলৈ মানুহ পঠালে। কিন্তু ৰজাৰ মানুহে মন্ত্ৰপালক বিচাৰি নাপালে। মন্ত্ৰপাল যে সেই ৰাজ্য এৰি ক'লৈ গ'ল কোনেও ক'ব নোৱাৰিলে।

কিছু দিনৰ অন্তত মহাৰাজ কীৰ্তিসেনে বহু ধৰণৰ ভবা-গুণা কৰাৰ পাছত আদিত্যকে সিংহাসনত অধিষ্ঠিত কৰিবলৈ দিহা ল'লে।

এই কথা শুনি বিজয়ে তাৰ দেউতাকক ক'লে, "দেউতা, মই অকলেই শত্ৰুক পৰাজিত কৰিলোঁ। তেনেস্থলত—আপুনি যে কিয় আদিত্যকে ৰজা পাতিব তাৰ মাথা-মুণ্ড মই বুজা নাই। মই কিন্তু এই ঘটনাক মনে-চিতে মানি নলওঁ; পিছে—মোৰ আৰু আদিত্যৰ মাজত তৰোৱাল-যুদ্ধত যিজনে জিকিব তাকেই আপুনি ৰাজ-সিংহাসন দিয়ে যদি—সেই ব্যৱস্থা মই মানি মনে-চিতে ল'ম।"

বিজয়ৰ কথাত যুক্তি থকাত মহাৰাজ কীৰ্তিসেনে বিজয় আৰু আদিত্যৰ মাজত তৰোৱাল যুদ্ধৰ বন্দোবস্ত কৰিলে, আৰু সেই দ্বন্দ্বযুদ্ধত অভাবিতভাবে পৰাক্ৰম তথা শক্তিমত্তা প্ৰদৰ্শন কৰি আদিত্যই বিজয়ৰ তৰোৱাল ওফৰাই পেলাই তাক অতি বেয়াকৈ পৰাজিত-পৰ্য্যুদস্ত কৰিলে।

আদিত্যৰ শক্তিৰ দেহৰ-ৰূপ চাই বিজয় আশ্চৰ্য্যান্বিত হ'ল; কিন্তু কথা মতে আদিত্যক সিংহাসনৰ ভৱিষ্যৎ উত্তৰাধিকাৰী বুলি মানি ল'লে।

আদিত্যৰ অভিষেক হৈ যোৱাৰ অন্তত এদিন সৰু ৰাণী স্বয়ংপ্ৰভাই মহাৰাজক

সুধিলে, "মহাৰাজ, আদিত্যও মোৰ পুত্ৰৰ সমান, গতিকে — আপুনি আদিত্যক সিংহাসন প্ৰদান কৰাত মই অসন্তুষ্ট হোৱা নাই। কিন্তু—নিতান্ত কৌতূহলৰ বশৱৰ্তী হৈ সুধিছোঁ—আদিত্যই তাৰ দেহশক্তি বিজয়ক প্ৰদান কৰাৰ পাছতো বিজয়ক ইমান বেয়াকৈ হৰুৱাবপৰা শক্তি সি পালে ক'ৰপৰা? এই কথাৰ ৰহস্য কি?"

সৰু ৰাণীৰ কথা শুনি মহাৰাজ কীৰ্তিসেনে নীৰৱ হাঁহি মাৰি ক'লে, "প্ৰকৃত বীৰে সদায় আত্মশক্তিতহে আস্থাৱান হ'ব লাগিব। কোনো মন্ত্ৰ-তন্ত্ৰই কোনোবা এজনক সমগ্ৰ জীৱন-কাল ধৰি সহায় কৰিব নোৱাৰে। আৰু—"

মহাৰাজে তেওঁৰ কথা শেষ কৰিবলৈ নৌপাওঁতে সৰু ৰাণীয়ে পুনৰ কৈ উঠিল, "কিন্তু মহাৰাজ—মন্ত্ৰপাল ক'লৈ গ'ল? আদিত্যই মন্ত্ৰপালৰ সৈতে আন কোনেও নুশুনাকৈ কি কথা পাতিছিল আপুনি কিবা গম পায়নে? যদি কোৱাত আপোনাৰ কিবা আপত্তি বা অসুবিধা নাই—মোক ক'বনে?"

এই কথাৰ উত্তৰত মহাৰাজ কীৰ্তিসেনে ক'লে, "দেহশক্তি প্ৰদান কৰা প্ৰস্তাৱত সন্মত হোৱাৰেপৰাই আদিত্যই হয়তো ভাবিছিল যে—আনৰ দেহশক্তিৰে শক্তি-মান হৈ যুদ্ধত বিজয়ী হৈ অহাৰ পাছত বিজয় মদগৰ্বী হৈ উঠিব। সেয়েহে মন্ত্ৰ-পালৰ সৈতে গুপুতে কথা পাতি আত্মশক্তি পুনৰ ঘূৰাই লোৱাৰ মন্ত্ৰও হয়তো আদিত্যই শিকি লৈছিল মন্ত্ৰপালৰপৰা। এই কথা আগতীয়াকৈ গম পোৱাহেঁতেন বিজয়ে মন্ত্ৰপালক নিশ্চয় হত্যা কৰিলে-হেঁতেন। সেই কাৰণেই গোম-সাপৰ কণীৰপৰা সাৰিবলৈ মন্ত্ৰপাল ৰাজ্য এৰি কোনোবা অজান ঠাইলৈ গুচি গ'ল।"

মহাৰাজ কীৰ্তিসেনৰ কথাখিনি শুনি সৰু ৰাণী স্বয়ংপ্ৰভা সেমসেমীয়া হৈ পৰিল।

দস্যু যুৱৰাজ

৯

[আগ কথা ঃ অমৃতপুৰীৰ ৰজা টান অসুখত পৰি পাটী লোৱাত কৌশলী বীৰসিংহই অমৃতপুৰী আক্ৰমণ কৰি অধিকাৰ কৰিবলৈ যো-জা কৰিবলৈ ধৰিলে। গুপ্তচৰৰ মুখে এই বাতৰি পাই অমৃতপুৰীৰ ৰজাই তেওঁৰ মহামন্ত্ৰীক ক'লে বীৰসিংহৰ সৈতে সন্ধিস্থাপন কৰিবলৈ। ইপিনে বীৰসিংহৰ সৈন্যইঁতে নাৱেৰে সুধাৰা নৈ পাৰ হওঁতে অকস্মাৎ সুধাৰ নৈত প্ৰচণ্ড বান উঠিল, আৰু বীৰসিংহৰ সৈন্যইঁতৰ মাজত ভালেমান বানত উটিল। আৰু তাৰ পাছত...]

এনেকৈ অকস্মাৎ ইমানবোৰ সৈন্যক আকস্মিক বানে চকুৰ পচাৰ নৌপৰোঁতেই উটুৱাই লৈ যোৱাত বীৰসিংহ বেবুৰা লাগিল আৰু কি কৰিব-কি নকৰিব ভাবি উলিয়াব নোৱাৰি শিল এচটাৰ দৰে প্ৰলয়ংকৰী সুধাৰা নৈৰ পাৰত অলৰ-অচৰভাবে থিয় হৈ থাকিল।

বেঙে মূতা গৰুৰ দৰে বীৰসিংহৰ কাষত থিয় হৈ কলিৰ নাৰকী কপালকণ্ঠ বীৰসিংহই কেতিয়া তাৰপিঠিত ঔপাৰিব— সেই ভয়তে কঁপি আছিল আৰু বানত উটি যোৱা সৈন্য আৰু সৈন্যইঁতৰ অস্ত্ৰ-বিলাকলৈ এক বোবা তথা অত্যন্ত অসহায় দৃষ্টিৰে চাই আছিল।

পথত থকাহেতুকে আমাৰ জয় অৱধাৰিত।” মুহূৰ্তমানৰ বাবে ৰৈ, পুনৰ তেওঁ ক'লে, “আৰু শুনা—বীৰসিংহৰ যিমান সৈন্যক তোমালোকে বন্দী কৰিছা, সিহঁতক এতিয়াই মুক্তি কৰি দিয়া।”

সিদিনাই ৰাতিৰ পৰতে মন্ত্ৰী, সেনাধ্যক্ষ আৰু সৈনিক চৰ্দাৰসকলে ৰজাৰ সৈতে সাক্ষাৎ কৰিলে।

সেনাধ্যক্ষই ৰজাক ক'লে, “মহাৰাজ, বীৰসিংহৰ যিবোৰ সৈন্যক নৈৰপৰা উঠাই বন্দী কৰা হৈছিল, আপোনাৰ আদেশ মতে সিহঁতক মুক্তি দিয়া সত্বেও সিহঁত আৰু শান্তিপুৰলৈ উভতি নোযোৱা হ'ল। যদি সন্মতি দিয়ে—সিহঁতক আমাৰ সৈন্য হিচাপে সাঙুৰি ল'ব পাৰোঁ।”

ৰজাই অলপ পৰলৈ ভবা-গুণা কৰাৰ অন্তত ক'লে, “দুৰাত্মা বীৰসিংহই যেতিয়া ষড়যন্ত্ৰী হৈ শান্তিপুৰ অধিকাৰ কৰিছিল, মই তেতিয়া গুৰুতৰ অসুস্থ হৈ আছিলোঁ। মোৰ জী-জোঁৱাই নাতি আদিৰ কি অৱস্থা হৈছে, ক'ত আছে, একোৱেই মই ক'ব নোৱাৰোঁ। যদিও মই যুদ্ধ তথা ৰক্তক্ষয় ঘৃণা কৰোঁ, তথাপি, জঘন্য বদমাছ বীৰসিংহৰ কবলৰপৰা শান্তিপুৰৰ শান্তিপ্ৰিয় ৰাইজক ৰক্ষা কৰাও আমাৰ পৰম কৰ্তব্য। এই কাৰ্য্যত বন্দী সৈন্যহঁতৰ

নৈৰ সিপাৰত, অমৃতপুৰীয়া সৈন্যহঁতে বানে উটুৱাই নিয়া বীৰসিংহৰ সৈন্য কিছুমানক সুধাৰা নৈৰ সুতীব্ৰ স্ৰোতৰপৰা উঠাই আনি ৰক্ষা কৰিলে, আৰু লগতে উটি যোৱা অস্ত্ৰ-শস্ত্ৰও যিমান পাৰিলে সংগ্ৰহ কৰিলে।

পাছদিনা অমৃতপুৰীৰ ৰজাই তেওঁৰ সেনাধ্যক্ষ আৰু অন্যান্য উচ্চপদস্থ ৰাজ-কৰ্মচাৰীক মতাই অনালে আৰু ক'লে, “শত্ৰুৰপৰা পোৱা অস্ত্ৰ-শস্ত্ৰবোৰ ব্যৱহাৰ কৰিব পৰাকৈ সাজু ৰাখিবা। বীৰসিংহৰ সৈন্যবলৰ তুলনাত আমাৰ সৈন্যবল যিমানেই কম নহওক, আমি ন্যায়-ধৰ্মৰ

সহায় ল'ব পৰা হ'লে ভালেই হ'ব।"

তেতিয়া মহামন্ত্ৰীয়ে ক'লে, মহাৰাজ, আৰু এটা সুখবৰ আছে। বীৰসিংহই হত্যাৰ আদেশ দিয়া মহাৰাজ শান্তিদেৱৰ বৃদ্ধ মন্ত্ৰী সন্থহতে আমাৰ ৰাজ্যতে আছে।"

"হয়নে? মহামন্ত্ৰী সুগুণশীল অতি বিচক্ষণ আৰু সাহসী। তেওঁ ৰক্ষা পোৱাত মই আনন্দিত।" ৰজাই ক'লে।

"তেওঁক ৰক্ষা কৰিলে কোনোবা এজন অজ্ঞাত মুখাধাৰী বীৰে। বৃদ্ধ মহামন্ত্ৰীৰ মতে—সেই মুখাধাৰী বীৰ হ'ল......" মন্ত্ৰীয়ে আৰু কিবাকিবি ক'বলৈ লৈও বৈ দিলে।

ৰজা শোৱাৰপৰা পালেঙৰ ওপৰত উঠি বহিল আৰু সুধিলে, "এই মুখাধাৰী বীৰ কোন? তেৱেঁই শান্তিদেৱ নহয় তো—? বৃদ্ধ মহামন্ত্ৰীক এতিয়াই ইয়ালৈ মাতক, মই তেওঁৰ লগত কথা পাতিম।"

"তেওঁক এতিয়াই মাতি আনিম, মহাৰাজ। পিছে—তাৰ আগতে আৰু এটি কথা কৈ লওঁ। শান্তিপুৰত বসন্তনামৰ এজন যুৱকক বীৰসিংহই মৃত্যুদণ্ডেৰে দণ্ডিত কৰিছিল। আৰু সেই একেই জন মুখাধাৰী বীৰে বসন্তক ৰক্ষা কৰিছিল। বসন্তই মহাৰাজ শান্তিদেৱক ভাল পাইছিল, শান্তিদেৱৰ নামত গৰ্ব বোধ কৰিছিল। বসন্তইহে আমাক ৰাজ্যৰ ওপৰত বীৰসিংহৰ বৰ্তমান আক্ৰমণৰ আগবতৰা দিছিল। এই যুৱকক যে আমি কেনেকৈ কি সহায়তা কৰিম, ভাবি পোৱা নাই।" মন্ত্ৰীয়ে ক'লে।

অমৃতপুৰীৰ ৰজাই ক'লে, "মন্ত্ৰীবৰ, ধূৰ্ত্ত বীৰসিংহই শান্তিপুৰৰ ৰাজ-পৰিয়ালক ধ্বংস কৰাৰ চেষ্টা কৰিছিল, আৰু যি কাৰণতে নহওক, আমি শান্তিপুৰক সহায় কৰিব পৰা নাছিলোঁ, বা কৰা নাছিলোঁ। কিন্তু তথাপি বদমাছ বীৰসিংহই আমাকো আক্ৰমণ নকৰাকৈ থকা নাই। সেয়েহে—এনে বিধৰ্মী বদমাছ বীৰসিংহক নগুৰ-



শাস্তি দিবলৈ আমি বসন্ত আৰু বসন্তৰ লগৰীয়াহঁতৰো সহায় ল'ম। বসন্তক কেনেকুৰা সহায় লাগিব—আপুনি নিশ্চয় ক'ব পাৰিব।"

"হয়, মহাৰাজ, আপোনাৰ আজ্ঞা-মতেই সকলো কাম কৰা হ'ব।" মন্ত্ৰীয়ে এই কথা কোৱাৰ অন্তত মহাৰাজক যুক্তহস্তেৰে নমস্কাৰ কৰি মন্ত্ৰী, সেনাধ্যক্ষ প্ৰমুখ সকলোটি কক্ষৰপৰা ওলাই গ'ল।

*

ইপিনে—নৈৰ পাৰত বেবুৰা লাগি শিলৰ মূৰ্তিৰ দৰে থিয় হৈ থকা বীৰসিংহ, ভয়ৰ চোটত কামৰি কঢ়া কপালকণ্ঠ, আৰু অন্যান্য বেঙে মৃত গৰুৰ দৰে সৰুসুৰা চুবাদাৰ-চৰ্দাৰবোৰো হতাশ হৈ পুনৰ নেগুৰ মোকোটাই শান্তিপুৰৰ বাট ল'লে।

সৈন্য নহয় — ইমানবোৰ অস্ত্ৰ-শস্ত্ৰ পানীত পৰি নষ্ট হোৱাত আৰু বিশেষকৈ শত্ৰুৰ হাতত পৰাত একেবাৰে তিতা-কেঁহা লাগি বীৰাজপা বীৰসিংহই কামৰি কঢ়া কপালকণ্ঠক ক'লে, "তুমি হ'লা—যাক বোলে এটা যধামূৰুখ ডুলিপেটা ডোমৰ ঢেঁকী। নৈত এনে বান উঠাৰ সময়ত কোননো পাৰ হৈ যমৰ আলহী হোৱাৰ বুদ্ধি দিছিলহে তোমাক?"

"বছৰৰ এনে সময়ত—বানৰ পানী নাহিব বুলি জানিহে নৈ পাৰ হৈ অমিত্ত-পুৰীলৈ যাবলৈ অহা কৰিছিলোঁ। আৰু—আমাৰ দৰবাৰী জ্যোতিষী পণ্ডিতকো কৈছিলোঁ অমিত্তপুৰী আক্ৰমণৰ পকিষ্ট সময় কৈ দিবলৈ, আৰু তেওঁ কৈ দিছিল।" কচুৰ কটাৰী কপালকণ্ঠই ক'লে।

"এনে অলগৰ্ধ জ্যোতিষীক শূলত দিব লাগিব। এই শোকলগা ঘটনাৰ বাবে সি কেটোৰক'লা-গৰুৱাগলা জ্যোতিষী বোলাটোৱেই জগৰীয়া।" বীৰসিংহই বীৰদৰ্পে ক'লে।

"কিন্তু পৰ্‌ভু মহাৰাজ, সি জ্যোতিষী বেটাই আমাৰ লগ লাগি আহিছিল,

সিও বোধকৰোঁ অমিত্তপুৰীলৈহে পলাল।" কপালকণ্ঠই কওঁ-নকওঁকৈ ক'লে।

"অমৃতপুৰী—অমৃতপুৰী! ই যেনিবা আমাৰ যমপুৰীহে!" বীৰসিংহই ক'লে।

"পৰ্ভু মহাৰাজ, এনেকৈ নক'ব। অমিত্তপুৰীক আমি মিত্যুপুৰী কৰিহে এৰিম। আমি আকৌ ন ন সৈন্য-সামন্ত গোটাম, অস্ত্ৰ-শস্ত্ৰ দ'মাম। অলপ চবুৰ কৰক, চাই থাকক।"

"কিমাননো চবুৰ কৰিম, চাই চাই চকু বিষাম?" তিতা-কেঁহা লাগি বীৰসিংহই কপালকণ্ঠ সুধিলে।

"মহাৰাজ ধন থাকিলে ধানৰ অভাৱ নহয়।" কপালকণ্ঠই কক্কালে।

"কিন্তু আমাৰ ইমান ধনেইবা ক'ত। সেই শীতল-সন্নিপাত হাৰামী শান্তিদেৱ বোলাটোৱে প্ৰজাৰ বাবে কুঁৱা খন্দাৰ কাৰণে, বাট-পথ নিৰ্মাণৰ কাৰণে, বিত্তালয় আদি স্থাপনৰ কাৰণে ৰজাৰ ধনভঁৰাল উদি কৰি থৈ গ'ল। এতিয়া মন থাকিলেও ধন পাবলৈ নাই।" বীৰসিংই বিংবিঙালে।

"মহাৰাজ, এই বছৰ আমাৰ খেতি-বাতিৰ অৱস্থা ভাল। ধন নাই যদি নাই—ধানৰ কিন্তুক ওগাইৰহ। আমি চন্দ্ৰপুৰী ৰাজ্যত ধান বেচি ধন ঘটিব পাৰিম, তাত খৰে কোবাইছে ধানৰ দাম তাত চাৰিগুণে পোৱা যাব।" কপালকণ্ঠই ক'লে, "তাত ধান বেচিম, আৰু তাৰেপৰাই চোকা-জোঙা যাঠি কিনিম।"

শুনি বীৰসিংহই উলাহৰ মাদলীটিহেন হৈ ক'লে, "চা — ব্বাইচ কপালকণ্ঠ, তোমাৰ বুধিৰ জৰাব নাই। এইবাৰ হালোৱাবিলাকৰপৰা আধা, আৰু জমিদাৰইঁতৰপৰা চাৰিভাগৰ তিনিভাগ ফচল আদায় কৰিম। মোৰ এই আদেশ সকলোতে তুৰন্তে ঘোষণা কৰি দিয়া।"

"নিচ্চয় পৰ্ভু, নিচ্চয় কৰি দিম। আৰু আজিয়েই জমিদাৰ ৰঘুনাথৰপৰা এই কৰ আদায় কৰিবলৈ মানুহ পঠাম।"

এই বুলি কৈয়েই কপালকণ্ঠ তাৰপৰা গুচি গ'ল।

ৰামপুৰৰ জমিদাৰ ৰঘুনাথ আছিল ধাৰ্মিক ব্যক্তি। তেওঁৰ অঢেল খেতি-মাটি, আৰু সেইবোৰ খেতি-মাটিত কেৱল সোণহেন ধান আৰু লগতে আন নানান শাক-পাচলি ফলন।

ৰামপুৰৰ দুখীয়া ৰাইজে জমিদাৰ ৰঘুনাথৰপৰা প্ৰয়োজন মতে ধান-চাউল শাক-পাচলি নিছিল, আৰু যেৱে যিমান পাৰে দাম দিছিল। কোনো নিৰ্দ্ধাৰিত দাম নাছিল। এয়া আছিল জমিদাৰ ৰঘুনাথৰ বোপা-ককাৰ আমোলৰপৰা চলি অহা পুৰণি প্ৰথা।

আজিও তাত দুখীয়া ৰাইজৰ ভিৰ আছিল, যাক যি লাগে লৈ আছিল,। আৰু ঠিক তেনেতে কিছুমান চিপাহীক লগত লৈ এজন যুৱা ৰাজকৰ্মচাৰী তালৈ আহিল। যুৱা ৰাজকৰ্মচাৰীয়ে ৰঘুনাথ জমিদাৰক ক'লে, "এইবোৰ ফচলৰ চাৰি ভাগৰ তিনিভাগ আমাক এতিয়াই দিব লাগিব, নহ'লে বিপদ হ'ব।

"কিয় ?" ৰঘুনাথে প্ৰশ্ন কৰিলে।

"কৰ। ৰজাক দিবলগীয়া কৰ।" যুৱক ৰাজকৰ্মচাৰীয়ে ক'লে।

"ৰজাৰ কৰ মই কেতিয়াবাই দিলোঁ। আকৌ কিয় ?" ৰঘুনাথে পুনৰ সুধিলে।

"এয়া ওপৰঞ্চি কৰ, এইবোৰ শস্য আমি চন্দ্ৰপুৰীলৈ লৈ যাম।" যুৱা কৰ্মচাৰীয়ে সৌকা শূন্যত আস্ফালি চিপাহীহঁতক আদেশ দিলে. "জলদি কৰা চিপাহীহঁত, জলদি কৰা। এইবোৰ ধান-শাক-পাচলি বস্তাত ভৰাই গাড়ীত উঠাই লোৱা।"

গাঁৱৰ দুখীয়া ৰাইজে ক'লে, "আমাৰ এইকণ সম্বল কাঢ়ি নিনিবা, আমাক দয়া কৰা!"

কিন্তু সিহঁতৰ এনে কাতৰ অনুৰোধে একো গুণ নিদিলে। বীৰসিংহৰ চিপাহী-বিলাকে তাত দ'মাই থোৱা বিভিন্ন শস্য

পাক-ধাচলি ধুমধামকৈ বস্তাত ভৰাই গাড়ীত বোজাই কৰিলে আৰু আটাইবোৰ পচিমমুৱা হৈ গৈ থাকিল।

আৰু গাড়ীবোৰৰ পিছে পিছে গৈ থাকিল গাঁৱলীয়া ৰাইজ। যুৱা ৰাজ-কৰ্মচাৰীৰ মনত সন্দেহ উপস্থিত হ'ল: ইহঁত—এই গাঁৱলীয়াহঁতে গাড়ীৰ পিছ কিয় লৈছে? নিশ্চয় দুৰভিসন্ধি আছে।

তেতিয়া গাঁৱলীয়াহঁতৰ মাজৰপৰা ডেকা এজনে বিৰ দি বাট উলিয়াই যুৱা ৰাজকৰ্মচাৰীৰ সমুখত থিয় হৈ বুকু ফিন্দাই কৈ উঠিল, "দলিয়াই পঠোৱা!"

আৰু লগে লগে বাটৰ কাষত থকা টিলাৰপৰা কোনোবা কোনোবাহঁতে বিৰাট বিৰাট ৰছী দলিয়াই দিলে আৰু এই তজবজীয়া ডেকাজনৰ নেতৃত্বত আন কিছু-মান ডেকাও ভিৰ ফালি চকুৰ পচাৰতে ওলাই আহি চিপাহীবিলাকক বগৰাই পেলাই সেই ৰছীৰে বান্ধি পেলালে।

নেতা ডেকাজনে বীৰসিংহৰ বন্দী চিপাহীবিলাকক ক'লে, "ভয় নকৰিবা, তোমালোকৰ কোনো অনিষ্ট কৰা নহ'ব।"

তাৰ পাছত সেই শস্যৰ বস্তাবোৰ গাড়ীৰপৰা বগৰাই পেলাই গাঁৱলীয়া ৰাইজৰ মাজত ভগাই দিয়াৰ অন্তত নেতা ডেকাজনে চিপাহীবিলাকক ক'লে, "বীৰ-সিংহই তোমালোকৰ কোনো অনিষ্ট কৰিব নোৱাৰিব। আমি আছোঁ। তোমালোক নিজ নিজ ঘৰলৈ গুচি যোৱা।"

তাৰ পাছত—সেই যুৱা ৰাজকৰ্মচাৰীক নেতা ডেকাজনে ক'লে, "তোমাক যে ইয়াত গছৰ লগত কটকটীয়াকৈ বান্ধি থৈছোঁ, সেই খবৰ আমি বীৰসিংহ-কপাল-কণ্ঠক পঠাই দিম। সিহঁতে মানুহ পঠিয়াই তোমাক মুক্ত কৰি লৈ যাব পাৰিব, চিন্তা নকৰিবা।"

ভিৰ ফালি ওলাই অহা এই যুৱক নেতাজনেই আছিল সেই বসন্ত। [আগলৈ

যাক বেহাব নোৱাৰি

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই বিশেষ গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰাজন্, কিছুমান মানুহে জীৱনত উল্লেখযোগ্য কিবা পাবলৈ বা হ'বলৈ হাবিলাস কৰে। কিন্তু সাধাৰণতঃ পায়ো হেৰুৱায়—নানান বুদ্ধিৰ দোষত। তুমি যে কি পাবলৈ কি হ'বলৈ হাবিয়াহ কৰি এনেকৈ হাবি-লঙ্কা মাৰিছা, একমাত্ৰ তুমিহে ক'ব পাৰিবা। এই প্ৰসংগত মই তোমাক নীলমপুৰৰ এগৰাকী মহান মূৰ্তিশিল্পীৰ কাহিনী কওঁ শুনা।" এই বুলি কৈ বেতালে নীলমপুৰৰ সেই মূৰ্তিশিল্পীৰ সত্য কাহিনী ক'বলৈ ধৰিলে ঃ

'বেতাল-কথা'

আলমপুৰ আছিল সেউজীয়া গছে-বনে ভৰপূৰ এখনি সৰু গাঁও। এই গাঁৱৰে ৰামদেৱ আছিল এগৰাকী মহান মূৰ্তি-শিল্পী। কিন্তু তথাপি দুসাজ, পেট পুৰাই খাবলৈকো নোজোৰে ৰামদেৱৰ। গাঁৱৰ ৰাইজে ৰামদেৱৰ প্ৰকৃত মোল নুবুজে, এই কথাত ৰামদেৱৰ মনত দুখ; দাৰিদ্ৰ্যৰ কাৰণে ৰামদেৱৰ মনত কিন্তু সিমান দুখ নাই। যি কি নহওক, গাঁৱৰে কোনোবা এজনৰ কথাত ৰামদেৱ ওলাইছিল দেশৰ ৰজাক দৰ্শন কৰিবলৈ, লগতে তাৰ নিজৰ চিনাকি ৰজাৰ আগত দাঙি ধৰিবলৈ। কিন্তু বহু ৰকমে চেষ্টা কৰিও ৰামদেৱে ৰজাৰ দৰ্শন নাপাই, মনৰ দুখ মনতে সামৰি, পুনৰ গাঁৱলৈ উভতিল।

ৰামদেৱে খেদ মনেৰে ভাবিলে : মূৰ্তি নিৰ্মাণ এৰি লাঙলত ধৰি খেতি কৰাটোহে ভাল, তেও দুসাজ-দুমুঠি খাবলৈ পাম।

এনেবোৰ কথা ভাবি থাকোঁতেই এদিন কিছু দূৰণিবটীয়া গাঁৱৰ গাঁওবুঢ়াই শিল্পী ৰামদেৱক মতাই পঠালে।

ৰামদেৱ তালৈ গ'ল। গাঁওবুঢ়াই ৰামদেৱক ক'লে, "চোৱাঁ ৰামদেৱ, তুমি যে এজন ডাঙৰ মূৰ্তিশিল্পী, আমি জানো। আৰু লগতে ইয়াকো জানো যে—ইমান ডাঙৰ শিল্পী হোৱা সত্বেও তুমি দুখ দাৰিদ্ৰ্যৰ এন্ধাৰতে পৰি আছা। মই কথা এটা কওঁ, ভাবি চাবা। তুমি যিমান মূৰ্তি

বন্যবা, মই ল'ম, আৰু তাৰ বাবে তোমাক মাহেপ্ৰতি পঞ্চাছ মোহৰকৈ দিম।"

শিল্পী ৰামদেৱে তেতিয়াৰপৰা দিনে-নিশাই কাম কৰি থাকিল। আৰু গাঁওবুঢ়াই সেইবোৰ মূৰ্তি ধনিকৰ ওচৰত বেচি ৰইনাইদি কোঁচাই থাকিল।

এইদৰে চলি থাকোঁতে এদিন ৰামদেৱৰ শিল্প-ক্ষমতাৰ কথা সেই গাঁৱৰ জমিদাৰৰ কাণ ছুলেগৈ, আৰু জমিদাৰে ৰামদেৱক মতাই নি ক'লে, "শুনা ৰামদেৱ, গাঁও-বুঢ়াই তোমাক দিয়ে পঞ্চাছটা মোহৰ। এনে অনিয়ায় মই আৰু চলি থাকিবলৈ দিব নোৱাৰোঁ। তুমি যদি মোৰ হৈ কাম কৰা, মই তোমাক এশ মোহৰকৈ মাহে মাহে দিম। হঁা-না যি ক'বা কৈ দিয়া।"

ৰামদেৱে নীৰৱে হাঁহিলে।

জমিদাৰে যেনিবা গুপ্তধনহে পোৱা হ'ল। ৰামদেৱৰ শিল্প বেচি তেওঁ হাজাৰ হাজাৰ মোহৰ ঘটি থাকিল। কিন্তু কিছুদিনৰ অন্তত জমিদাৰেও জয়ৰাম জয়-হৰি বুলিব লগাত পৰিল।

কিয়নো—এদিন এই অঞ্চলৰ সামন্ত ৰজাই অনুচৰ এজনক পঠিয়াই শিল্পী ৰামদেৱক মতাই লৈ গ'ল।

সামন্ত-ৰজা শনিকান্তই ৰামদেৱক ক'লে, "ইহঁত একেবাৰে ঠগ, জুৰাচোৰ। তোমাক ৰামঠগনে ঠগিছে। মই এই অঞ্চলৰ ৰজা। মোৰ ৰাজত্বত এনেবোৰ



ঠগ-ছল বৰ্দাস্ত্ নকৰোঁ। এতিয়াৰপৰা তুমি মাহেকত এহেজাৰকৈ মোহৰ পাবা, আৰু তোমাৰ শিল্পকৰ্ম—মোকেই দিবা।”

সামন্তৰজাই মহান শিল্পী ৰামদেৱৰ নিৰ্মিত অপূৰ্ব মূৰ্তিবোৰ ইৰাজ্যৰ-সিৰাজ্যৰ ৰজা-মহাৰজা আৰু বৰ বৰ ডা-ডাঙৰীয়া-সকললৈ উপহাৰস্বৰূপে পঠাবলৈ ধৰিলে আৰু এইদৰে নিজৰ প্ৰভাৱ-প্ৰতিপত্তি প্ৰভূত পৰিমাণে বিস্তাৰ কৰিব ধৰিলে।

আৰু এদিন মহাশিল্পী ৰামদেৱৰ নিৰ্মিত এক অপূৰ্ব মূৰ্তি এই দেশৰ মহাৰজালৈকো উপঢৌকন হিচাপে পঠালে।

এই অপূৰ্ব মূৰ্তিটি পাই মহাৰাজ সৰলনাথ একেবাৰে মোহিত হৈ পৰিল আৰু তেওঁ অনতিপলমে শিল্পী ৰামদেৱক মতাই পঠালে।

ঠিক তেতিয়াই সন্তোষ নামৰ এজন মূৰ্তিশিল্পী ৰামদেৱৰ ওচৰলৈ আহি তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিবলৈ বিচাৰিলে।

ৰামদেৱ মহাৰাজৰ ওচৰলৈ গ'ল। মহাৰাজে ৰামদেৱৰ শিল্পকৰ্মৰ ভূয়সী প্ৰশংসা কৰাৰ অন্তত ৰামদেৱক ক'লে, “ৰামদেৱ, মই তোমাক ৰাজশিল্পীৰ বাব দিলোঁ। তুমি দেশৰ শ্ৰেষ্ঠ মূৰ্তি-শিল্পী।”

ৰজাৰ কথাৰ উত্তৰত ৰামদেৱে ৰজাক ক'লে, “মহাৰাজ, আপোনাৰ এই মহান সদিচ্ছাৰ বাবে মই কৃতজ্ঞ; কিন্তু মোক ক্ষমা কৰিব, মই জীৱনৰ শেষ কালছোৱা মোৰ গাঁৱতে অতিবাহিত কৰিব খুজিছোঁ।”

ৰামদেৱে মহাৰাজৰপৰা বিপুল পৰিমাণৰ ধন পুৰস্কাৰ হিচাপে গ্ৰহণ কৰিলে, আৰু তাৰ পাছত পুনৰ গাঁৱলৈ বুলি খোজ ল'লে।

ৰজাৰ প্ৰদত্ত ধনেৰে ৰামদেৱে এখন মূৰ্তিশিল্প শিক্ষালয় স্থাপন কৰিলে, আৰু সন্তোষক প্ৰথম শিষ্য হিচাপে গ্ৰহণ কৰিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, “হে ৰজা, গাঁৱৰ গাঁওবুঢ়াৰপৰা আৰম্ভ কৰি সেই সামন্ত

ৰজালৈকে ৰামদেৱে কেতিয়াও কাকো 'নহয়' বুলি নকৈছিল। তাৰো আগতে ৰাজানুগ্ৰহ বিচাৰি ৰাজ-দৰ্শনৰ বাবে ৰাজধানীলৈ গৈছিল ; যদিও ৰাজ-দৰ্শন নাপাই ব্যৰ্থ হৈ খেদ মনেৰে উভতি আহিছিল, কিন্তু সেইজন ৰামদেৱেই পাছত স্বয়ং ৰজাৰ আহ্বানলৈ উপেক্ষা প্ৰদৰ্শন কৰিছিল কিয় ? কিয় এনেকুৱা আচৰণ কৰিছিল ? বহু দিনৰ আগতে দৰ্শন কৰিবলৈ গৈ ব্যৰ্থ হোৱাতহে ৰামদেৱে ৰজাৰ আগত এনে পাৰ পাই ভুৰত লাথি মৰাহেন অহংকাৰী আচৰণ কৰিছিলনে ? ৰামদেৱ নিশ্চয় ৰাজকীয় শিল্পী হোৱাৰ মৰ্য্যাদা বুজি নোপোৱা বিধৰ মূৰ্খ নাছিল। তথাপিনো কিয় ৰামদেৱে এনে আচৰণ কৰিছিল। মোৰ এই প্ৰশ্নৰ উত্তৰত জানিও যদি সঠিককৈ নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "হে বেতাল, শিল্পী ৰামদেৱ অহংকাৰী বা মূৰ্খ নাছিল। বা নাম-যশলৈ মৰা বিধৰ লুভীয়াও নাছিল, মহান মূৰ্তিশিল্পী হিচাপে---প্ৰথম জীৱনত ৰাইজৰপৰা সিমান আনুকূল্য নোপোৱা হৈ ৰামদেৱ দুঃখিত হৈছিল সঁচা, কিন্তু সেই বুলি কেতিয়াও কেৱল নাম-সৰ্বস্ব হৈ তৃপ্তি পোৱাৰ কথাও কদাপি চিন্তা কৰা নাছিল। গাঁওবুঢ়াৰপৰা সামন্তলৈকে — প্ৰত্যেকেই যে তেওঁৰ প্ৰতিভাক কামত লগাই শিল্পকে জীৱনৰ হাটৰ বেহানি কৰি তুলিছে— ৰামদেৱে সেইটি কথা পাছত সঠিককৈ উপলব্ধি কৰিব পাৰিছিল বুলিয়েই ৰাজকীয় পদ পায়ো গ্ৰহণ কৰা নাছিল আৰু ৰজাই প্ৰদান কৰা ধনেৰে নিজৰ ভোগৰ বন্দবস্ত নকৰি শিক্ষালয় স্থাপন কৰিছিল।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল ! [কল্পিত

জনাৰ ভাত-মাছ

শ্ৰেঠ ৰাজীমল আছিল সকলোৰে বঢ়িয়াকৈ জনা এক ডাঙৰ সুতখোৰ মহাজন। সুতৰ কাৰবাৰ শ্বেঠে পূৰাদমে চলাইছে। এই সুতৰ কাৰবাৰৰ হিচাপ-নিকাচ কৰাৰে বাবে—অৰ্থাৎ শ্বেঠৰ সুতৰ কাৰবাৰৰ বহি লিখাৰ বাবে হৰিশমুন্সীয়ে বহুদিনৰপৰা কাম কৰি থাছিল। কিন্তু এদিন গাঁৱৰ জমিদাৰে হৰি মুন্সীক তেওঁৰ নিজৰ বশহী-তহী লিখোৱাবলৈ শ্বেঠতকৈ অধিক দৰ-মহাৰে মকৰল কৰিলে আৰু হৰিশেও হৰিশ মনেৰে শ্বেঠৰ কামত ইস্তফা দিলে।

শ্বেঠ ৰাজীমল পৰিল মহা বিপদত। মনে-খোৱা হিচাপ-নবীছ এতিয়া পায় ক'ত? গতিকে—শ্বেঠে এতিয়া নিজেই নিজৰ অন্যান্য কামৰ লগতে হিচাপ-নিকাচৰ কামখিনিও কৰিবলগাত পৰিল।

কিছুদিনৰ পাছত শ্বেঠৰ পুৰণা মহৰী হৰিশেই চন্দন আৰু ছোহন নামদ দুজন যুৱকক পঠাই দিলে শ্বেঠৰ ওচৰলৈ, তেওঁ বাছি-বিচাৰি এজনক কামত ল'ব।

শ্বেঠে দুয়োকো ক'লে, "মই তোমা-লোকক এখনকৈ বহী দিম। সেই বহীত থকা হিচাপত যদি কিবা ভুল আছে, মোক ক'বা আৰু উলিয়াই দিবা।

পছাদিনা দুয়ো নিজৰ নিজৰ বহীৰে সৈতে পুনৰ শ্বেঠৰ ওচাৰলৈ আহিল।

শ্বেঠে মিঠাকৈ চন্দনলৈ চাই ক'লে, "মোৰ হিচাপত যদি কিবা ভুল উলিয়াব পাৰিছা, কৈ দিয়া।"

"হিচ্—চাপ হওঁতে ঠিকেই আছে। কিন্তু চাৰিজন পাওনাদাৰৰপৰা আপুনি সুতৰ পইচা কমকৈ লৈছে আৰু ভুলকৈ

পদ্মা গগৈ

আন পাঁচজনৰপৰা সুতৰ পইচা বেছিকৈ লৈছে।" চন্দনে ক'লে।

তাৰ পাছত শ্বেঠে ছোহনলৈ ঘূৰি চালে আৰু সুধিলে, "এতিয়া তুমি কোৱা।"

"ছেঠজী. মোৰ ওচৰত থকা বহীৰ হিচাপ একদম ঠিক আছে। কেৱল— তিনিজন পাওনাদাৰৰ হিচাপত কিছু ভুল দেখা গৈছে।"

"ভুল!" শ্বেঠে আচৰিত হোৱাৰ দৰে হৈ ক'লে, "মোৰ ভুল হ'ল! সেই ভুল—কি ভুল?"

"আপুনি তিনিজন পাওনাদাৰৰপৰা সুতৰ টকা কমকৈ লৈছে।" ছোহনে ক'লে।

"অ'—এ্যায়ছি বাত্?" শ্বেঠে সেকৈ হাঁহিলে আৰু তাৰ পাছত তেওঁ চন্দনক ক'লে, "চোৱা চন্দন, তুমি আন ক'বাত কাম-বন যোগাৰ কৰাৰ ধান্দা লগোৱাগৈ। যদি নোপোৱা—তেনেহ'লে মোক পুনৰ এদিন লগ ধৰিবাহি। ইতিমধ্যে মই হৰিশৰ লগতো কথা হৈ ল'ম। বেয়া নেপাবা। এতিয়া যোৱা।"

চন্দনে একো নকৈ গুটি গ'ল।

চন্দন গুচি যোৱাৰ পাছত শ্বেঠে ছোহনক সুধিলে, "বাৰু, মই তিনিজনৰপৰা কমকৈ সুতৰ পইচা ল'লোঁ—তোমাৰ এই কথা মানি লৈছোঁ। কিন্তু সেই একেখন বহীত যে চাৰিজনৰপৰা বেছিকৈ সুতৰ টকা আদায় কৰিলোঁ — সেই কথাটো



মোক নক'লা কেলেই ?'

এই কথা শুনি ছোহনে হাঁহিলে আৰু ক'লে. "ছেঠজী, ভুলকৈ অধিক ল'লে নহয় হানি, কম ল'লেহে কৰম-কানি। বেছিকৈ ল'লে উধাৰ লওঁতাহঁতেই তাৰ খবৰ কৰিব, আমাৰনো গৰজ কিহৰ?"

"যদি উধাৰ-লোৱাহঁতে কথাটো গম নাপায়—তেতিয়া ?" শ্বেঠে পুনৰ ছোহনক পৰীক্ষাৰ দৰে সুধিলে।

এই কথা শুনি মুচুক কৰে হাঁহি মাৰি ছোহনে ক'লে, "হে হে—শ্বেঠজী, দিবলগীয়াই কদাপি হিচাপত ভুল নকৰে। দিবলগীয়াই দিয়াৰ আগতেই দিবলগীয়া ধনৰ হিচাপ নিৰ্ভুলকৈ নিজে নিজেই কৰে। আৰু -- যদিহে কোনোবা দিবলগীয়াই নিজৰ ভুল বুজি নাপায়, কিটোনো হানি হ'ব আমাৰ ? যিখিনি ওপৰঞ্চিকৈ পাম, সেইখিনি ছুয়ো হাতে খাম। গতিকে—বহীত এই ভুল-ভালৰ কথা চায়ো নোচোৱা হৈছোঁ মই।"

"ভাল বাৰু। পিছে—মই যে তিনি জনৰপৰা কমকৈ পইচা লৈছোঁ, তালৈ আঙুলিয়ালা কিয় তেন্তে ?" শ্বেঠে ছোহনৰ ৰগত ধৰিলে।

"কমকৈ লোৱা মানে—ধনৰ লোকচান। নহয় জানো ? আৰু এই ধৰণৰ লোকচানী ধন উচুল কৰাটো অত্যন্ত টান, যাক, প্ৰায় অসম্ভৱ বুলিয়েই ক'ব পাৰি। গতিকে—এই ভুললৈ আপোনাৰ দৃষ্টি আকৰ্ষণ কৰি মই সঠিক কামকে কৰিছোঁ বুলি ভাবিছোঁ।" ছোহনে ক'লে।

ছোহনৰ উত্তৰত শ্বেঠে বৰ ভাল পালে আৰু ক'লে, "তুমি আমাৰ হৰিশমুন্সীতকৈ কোনোগুণে কম নহয়। কাইলৈৰেপৰাই তুমি কামত যোগ দিবা। কথাতে বোলে—জনাৰ ভাত-মাছ, নজনাৰ গলগ্ৰহ। চন্দন আৰু তোমাৰ মাজত বিশেষ প্ৰভেদ বোধকৰোঁ ইমানকণেই।"



চান্দমামা-ক্রোড়পত্র-১৭

জ্ঞান-ভাণ্ডাৰ

তেওঁনো কোন

বহু কালৰ আগতে নৰ্মদা নদীৰ উৎসস্থলত এগৰাকী মুনি বাস কৰিছিল। এই মুনি আছিল সন্তানহীন। তেওঁ দেৱাদিদেৱ মহাদেৱৰ ওচৰত এটি সন্তান প্ৰাৰ্থনা কৰাত মহাদেৱে মুনিক সুধিলে যে মুনিক সাধাৰণ বুদ্ধিসম্পন্ন দীৰ্ঘায়ু সন্তান লাগে নে প্ৰখৰ বুদ্ধিসম্পন্ন অল্পায়ু অৰ্থাৎ দ্বাদশ বৎসৰ জীয়াই থকা সন্তান লাগে। মুনিয়ে প্ৰখৰ বুদ্ধিৰ অল্পায়ু সন্তানকে প্ৰাৰ্থনা কৰিলে।

মুনিয়ে পুত্ৰলাভ কৰিলে, পুত্ৰ ডাঙৰ-দীঘল হৈ থাকিল, কিন্তু মুনি হৈ থাকিল বিষণ্ণ। অৱশেষত যেতিয়া দ্বাদশ বৎসৰ পূৰ্ণ হওঁ হওঁ হ'ল, তেতিয়া মুনিয়ে কথাটো পুত্ৰক ক'লে। পাছদিনাই পুত্ৰ এক নিৰল-নিৰ্জন ঠাইলৈ গৈ দেৱাদিদেৱ মহাদেৱৰ তপস্যাত ধৰিলে। যেতিয়া মৃত্যুৰ মুহূৰ্ত সমাগত হ'ল তেতিয়া স্বয়ং যমে মুনিৰ পুত্ৰক বিচাৰি আহিল; কিন্তু মহাদেৱৰ তপস্যা কৰি থকাত যমে এওঁক বিচাৰি নাপাই উভতি গ'ল।

কিংবদন্তিৰ এই বালকটি কোন আছিল? [উত্তৰ ৩৬ পৃষ্ঠাত]

আমি জানো নে?

১. আণ্টাৰ্কটিকাৰ বৰফ যদি গলে—কেনেকুৱা অৱস্থা হ'ব?

২. আমাৰ সৌৰমণ্ডলৰ আটাইবোৰ গ্ৰহক ধাৰণ কৰিব পৰা গ্ৰহটো কোনটো?

৩. চীনদেশৰ কৃষকে বতৰৰ আগ-বতৰা ৮০ ভাগ শুদ্ধকৈ কেনেকৈ বুজি পায়?

৪. ঘড়ি চলাবলৈ দোলক ব্যৱহাৰ কৰাৰ বুদ্ধি কোনে দিছিল?

৫. ভাৰতৰ কোন ঠাইত এতিয়ালৈকো জুইৰ ব্যৱহাৰ নজনা উপজাতি পৰিলক্ষিত হয়?

[উঃ ৩৬ পৃঃ]

কুৰুক্ষেত্ৰ

সুপ্ৰাচীন কালৰ কথা। কুৰু নামৰ এগৰাকী মহান ৰজাই যি ঠাইত বিৰাট এক যজ্ঞ পাতিছিল, সেই ঠাই পাছত কুৰুক্ষেত্ৰ সৰ্বাধিক খ্যাত ; কিন্তু কুৰুক্ষেত্ৰৰ সৰ্বাধিক গুৰুত্বপূৰ্ণ ঘটনা বোধ কৰোঁ গীতাৰ জন্মলাভ। কুৰু-পাণ্ডৱৰ যুদ্ধৰ আগে



কুৰুক্ষেত্ৰ নামেৰে জনাজাত হৈছিল। ভাৰতবৰ্ষৰ সৰাতোকৈ প্ৰাচীন সাহিত্য ঋগ্‌বেদতো কুৰুক্ষেত্ৰৰ কথা উল্লিখিত আছে। যদিও, কৌৰৱ আৰু পাণ্ডৱসকলৰ মাজত এক ভয়ংকৰ যুদ্ধৰ কাৰণেহে আগে শ্ৰীকৃষ্ণই অৰ্জুনৰ ওচৰত প্ৰকাশ কৰা জীৱনৰ বিভিন্ন দিশৰ বক্তব্যয়েই হ'ল গীতাৰ মৰ্মকথা। এই কথাখিনি কৃষ্ণই অৰ্জুনক কোৱা ঠাইডোখৰ জ্যোতিসাৰ নামেৰে অভিহিত।

যুগ যুগ ধৰি কুৰুক্ষেত্ৰত মুনি ঋষি যোগী সকল বাস কৰিছিল। ব্যাসদেৱে ইয়াতে কিছুসংখ্যক মহাপুৰাণ ৰচনা কৰিছিল বুলি অনুমান কৰা হয়। জগদ্বিখ্যাত বৈয়াকৰণ পাণিনিও ইয়াতে বাস কৰিছিল।

পবিত্ৰ সৰস্বতী নদীও এই ঠাইৰ মাজেদি প্ৰবাহিত হৈছিল, যদিও আজি সেই খৰস্ৰোতা সৰস্বতী অন্তঃবাহিনী। এসময়ত কুৰুক্ষেত্ৰ আছিল সুজলা-সুফলা-শস্যশ্যামলা। এই কাৰণেই আক্ৰমণকাৰী-অভিযানকাৰী হঁতে বাৰে বাৰে কুৰুক্ষেত্ৰ আক্ৰমণ কৰিছিলহি।

আজিৰ কুৰুক্ষেত্ৰ পঞ্জাৱৰ চণ্ডীগড়ৰপৰা ৮৮ কিল'মিটাৰ দূৰৈত অৱস্থিত। দিল্লীৰ-পৰাও কুৰুক্ষেত্ৰ বৰ বেছি দূৰ নহয়। কুৰুক্ষেত্ৰ হ্ৰদ বা ব্ৰহ্মসাৰ হ্ৰদ অসংখ্য মন্দিৰেৰে আগুৰা এক চিত্তাকৰ্ষক ঠাই। প্ৰকৃতপক্ষে ইয়াত, অৰ্থাৎ এই হ্ৰদৰ চাৰিওফালে ৩৬২টি সুৰম্য মন্দিৰ বিদ্যমান। সূৰ্যগ্ৰহণৰ কালত লক্ষ লক্ষ পুণ্যাৰ্থীয়ে এই হ্ৰদত স্নান কৰে। হৰ্য্যানা (হৰিয়ানা) ৰাজ্যত অৱস্থিত আজিৰ কুৰুক্ষেত্ৰ এক কৰ্মমুখৰ ঠাই। আজিৰ কুৰুক্ষেত্ৰত এখন বিশ্ববিদ্যালয় থকাৰ উপৰিও বহুতো ধৰ্মীয়, সাংস্কৃতিক আৰু শিক্ষা-অনুষ্ঠান আছে।

ভাৰতৰ তথা সমগ্ৰ পৃথিৱীৰ জনসাধাৰণৰ ওচৰত কুৰুক্ষেত্ৰ সদায় আকৰ্ষক।

৬০০০০০ ০০ বছৰৰ আগেয় আমাৰ এই পৃথিৱীৰখন বৰ্তমান আকাৰৰ মাত্ৰ আধাহে আছিলনে? উত্তৰ মেৰু আৰু দক্ষিণমেৰুৰ মাজত দূৰত্ব বহুগুণে বাঢ়ি গৈছেনে?

অধ্যাপক এফ. আহ্‌মেদ নামৰ সুপৰিচিত ভাৰতীয় ভূতাত্বিকৰ মতে ওপৰুক্ত বিবৰণ সত্য। তেওঁ কোচিনত অনুষ্ঠিত ভাৰতীয় বিজ্ঞান কংগ্ৰেছত এই মৰ্মে তত্ত্ব দাখিল কৰিছে।



সম্বাদ-বি-সম্বাদ



জগদ্বিখ্যাত লেখক শ্বাৰ্লক হোমছৰ বুদ্ধিবৃত্তিৰ প্ৰশংসাকাৰী সমগ্ৰ জগতত বিয়পা। এই মহান ডিটেকটিভ-চৰিত্ৰটিৰ স্ৰষ্টা স্যাৰ আৰ্থাৰ ক'নান ডয়েলৰ নামত তেওঁৰ গ্ৰন্থসমূহত লিখিত ঠিকনা ২২১ বি, বেকাৰ ষ্ট্ৰীটতে এটি স্মাৰক-সৌধ তথা মিউজিয়ামত স্যাৰ আৰ্থাৰৰ ব্যৱহৃত বয়-বস্তু আৰু দেখা-মেলাও দেখিবলৈ পোৱা যাব।

সাহিত্যৰ কিছু কথা

১. ছাৰ আৰ্থাৰ ক'নান ডয়েল-ৰ জীৱিকা কি আছিল?

২. শ্ৰীচৈতন্যৰ বিষয়ে ৰচিত গুৰুত্বপূৰ্ণ গ্ৰন্থখনৰ নাম কি?

৩. 'হেলেন অভ্ ট্ৰয়' কোন?

৪. জাৰ্মানিৰ মহাকাব্যখনৰ নাম কি আৰু কবিৰ নাম কি?

৫. 'ছাগা' বুলিলে কি বুজোৱা হয়?

উত্তৰ

কোন?

মৃকণ্ডৰ পুত্ৰ মাৰ্কণ্ডেয়।

জানোনে

১. মহাসাগৰৰ জলৰাশি এতিয়াতকৈ ২৪০ ফুট ওখ হৈ উঠিব আৰু বৰ্তমান পৃথিৱীৰ অন্ততঃপক্ষে এক-চতুৰ্থাংশ ভূভাগ প্লাৱিত হ'ব।

২. বৃহস্পতি (জুপিটৰ) গ্ৰহ।

৩. ভেকুলীৰ টোৰটোৰনিৰে।

৪. গালিলেঅ'।

৫. আন্দামান দ্বীপপুঞ্জত।

সাহিত্য

১. চিকিৎসক।

২. কৃষ্ণদাস কবিৰাজ-বিৰচিত চৈতন্য চৰিতামৃত।

৩. মহাকবি হোমাৰ-ৰচিত 'ইলিয়াদ' মহাকাব্যৰ নায়িকা।

৪. গ্যেটে-ৰচিত 'ফাউস্ট'।

৫. আইছল্যাণ্ড বা নৰৱেৰ কিংবদন্তিমূলক বৰ্ণনাত্মক গল্প-গীত।

দিব্যপুৰুষ ক'ত আছে

নীলমপুৰৰ ধনপতি আছিল ধনৰ কুবেৰ। ধনপতিৰ ধন-সম্পদ ইমানেই আছিল যে কেইবাপুৰুষো ধৰি বহি খালেও ধান-পৰিমাণেও কমি যোৱাৰ সম্ভাৱনা নাছিল।

কিন্তু ধন থাকিলে কি হ'ব—ধনৰপতি ধনপতি আছিল অপাৰ সুখতে অপাৰ দুখী। ধনপতি আছিল নিঃসন্তান।

এদিন নীলমপুৰত বস্কৰ নামৰ মহাত্মা এগৰাকী আহিল। এওঁ আছিল ত্ৰিকালজ্ঞানী মহাপুৰুষ। উপদেশ বিচাৰি ৰাইজ ঢপলিয়াই আহিল। ধনপতিয়ে বস্কৰক এদিন অন্নগ্ৰহণ কৰিবলৈ নিমন্ত্ৰণ কৰিলে।

আহাৰাদিৰ অন্তত মহাত্মা বস্কৰৰ আগত আঁঠু লৈ ধনপতিয়ে সুধিলে, "হে মহাত্মা, অপাৰ ঐশ্বৰ্য্যৰ মাজত থাকিও মোৰ মনত শান্তি নাই। মই কি কৰিলে শান্তি লভিম কৈ দিবনে?"

সন্তানাদি নথকাতহে যে ধনপতিৰ ইমান অশান্তি সেই কথা উমানতে উপলব্ধি কৰি মহাত্মা বস্কৰে ধনপতিক মানৱ-জীৱনৰ বিভিন্ন দিশৰ কথা উলিয়াই অমৃত বচনেৰে প্ৰচুৰ উপদেশ দিলে।

মহাত্মাই হাঁহি ক'লে, "বৎস, তুমি এটা কামকৰা। কোনোবা নিৰল-নিৰ্জন ঠাইলৈ গৈ থাকাগৈ, তেতিয়া তুমি মনত শান্তি পাবা। যেতিয়া তোমাৰ জীৱনৰ অন্তিম কাল চাপি আহিব, তেতিয়া এগৰাকী দিব্য-পুৰুষক তুমি দেখা পাবা। তোমাৰ ধন-সম্পদ এই দিব্যপুৰুষগৰাকীক অৰ্পিবা আৰু তাৰ ফলত তোমাৰ নিশ্চয়ই স্বৰ্গপ্ৰাপ্তি হ'ব।"

ধনপতিয়ে নিজৰ ধন-সম্পদ নীলমপুৰৰ

সুষমা খাউন্দ

ন্যায়াধীশৰ হাতত অৰ্পণ কৰি ক'লে, "মোৰ ধন-সম্পদৰ উত্তৰাধিকাৰীক মই ইচ্ছাপত্ৰেৰে সৈতে আপোনাৰ ওচৰলৈ পঠোৱালৈকে অনুগ্ৰহ কৰি মোৰ ধন-সম্পদ আপুনি ৰক্ষা কৰক।"

তাৰ পাছত ধনপতি পোনে পোনেই বহু দূৰৱৰ্তী অৰণ্যলৈ গ'ল। তাত এখন নৈ আছিল। এই নৈৰ পাৰত ধনপতিয়ে এটা পঁজাঘৰ সাজি ল'লে।

ধনপতিৰ কুটীৰৰ ওচৰে-পাঁজৰে ভীল উপজাতিৰ কিছুমান মানুহৰ বসবাস আছিল। ভীল সম্প্ৰদায়ৰ এই মানুহখিনি আছিল সহজ-সৰল প্ৰকৃতিৰ। ভীলসকলে সিহঁতৰ ইমান দুখ-দুৰ্দশা লাঘৱৰ মনেৰে ধনপতিৰপৰা সদুপদেশ বিচাৰি আহিছিল, আৰু পোনতে এই কথাত ধনপতিয়েও ভালেই পাইছিল। কিন্তু কিছুদিনৰ পাছত ধনপতিয়ে এইবোৰ ভীল মানুহক আৰু সিমান ভাল নোপোৱা হ'ল। দিব্যপুৰুষ কদাপি এইবোৰ ভীল মানুহৰ বাসস্থানলৈ নিশ্চয় নোলাবহি বুলি ভাবি ধনপতি যথেষ্ট হতাশ হ'ল।

এদিন ধনপতিয়ে ভীল-চৰ্দাৰ জটালক মতাই অনাই ক'লে, "শুনা, মই ইয়াত এগৰাকী দিব্যপুৰুষ অহালৈ বাট চাইহে ৰৈ আছোঁ। গতিকে — তোমালোকে সদায় মোক এইদৰে দিগদাৰ নকৰিবাহি।"

ধনপতিৰ কথাৰ উত্তৰত ভীল-চৰ্দাৰ



জটালে ক'লে, "প্ৰভু, আপোনাৰ আদেশ আমি মানিম। কিন্তু—আপুনি একেবাৰে অকলশৰে ইয়াত থাকিবনো কেনেকৈ? মোক সৰু ল'ৰা—বিশালটো খুব কামিলা আৰু সজ ল'ৰা। সি যদি আপোনাৰ আলপৈচান ধৰে বোধকৰোঁ আপুনি বেয়া নাপাব। এটা লগ-সংগ নহ'লে আপোনাৰ পক্ষে জীৱন একেবাৰে শিলৰ গধুৰ বোজাহেন হৈ উঠিব। —যদি আপোনাৰ আপত্তি নাই, বিশালক আপোনাৰ সেৱাৰ বাবে পঠিয়াই দিম।"

ভীল-চৰ্দাৰৰ প্ৰস্তাৱত ধনপতি সন্মত হ'ল আৰু সেই দিনাই ফুটগধুলিতে বিশাল ধনপতি কুটীৰত ওলালহি।

বিশাল ল'ৰাটো সঁচাকৈয়েই বৰ কামৰ ল'ৰা। পুৱাৰপৰা ৰাতিলৈকে একমনে সকলো কাম কৰি যায়, কোনো ফাঁকিফুঁকাৰ প্ৰশ্ন নাই, হাত-ঠেং এৰি বহিও নাথাকে। বিশালৰ সেৱাত ধনপতি তুষ্ট।

কিন্তু তথাপি ধনপতিৰ মনৰ কোনোবা-খিনিত কিবা যেন বিতুষ্টিৰ ভাব। সদায় আমন-জিমন। কথাটো বিশালেও মন নকৰা নহয়। এদিন বিশালে তেওঁক কথাটো সোধাত ধনপতিয়ে ক'লে, "কথা হ'ল—মই—ইয়াত এগৰাকী দিব্যপুৰুষৰ আবিৰ্ভাৱলৈ বাট চাই বৈ আছোঁ।"

'দিব্যপুৰুষ' কি, বা কেনেকুৱা—বিশালে বুজি নাপালে। সি হোজাৰ দৰে

সুধিলে, "দিব্যপুৰুষ কাক বোলে? দিব্যপুৰুষ দেখাত কেনেকুৱানো?"

ধনপতিয়ে বিশালৰ অপাৰ অজ্ঞতালৈ চাই মৰমতে মৃদুকৈ হাঁহি মাৰি ক'লে, "দিব্যপুৰুষ মানে হ'ল—এই ধৰা—বাৰে বৰণীয়া পাটৰ বস্ত্ৰ পিন্ধি অকস্মাৎ আকাশৰপৰা নামি অহা কোনোবা—যিজনৰ গাৰপৰা জেউতি ওলাব।"

আকাশৰপৰা নামি আহিব বুলি শুনি বিশালৰ মনত বিপুল বিস্ময় জাগিল। দিব্যপুৰুষনো কেনেকুৱা—চাবলৈ সি-ও অপাৰ আগ্ৰহৰে ৰৈ থাকিল।

এইদৰে দিন-মাহ-বছৰ পাৰ হ'ল। ধনপতি এতিয়া এক ভগ্নস্বাস্থ্য বৃদ্ধ। মৃত্যুৱে যে চমু চাপিব ধৰিছে — সেই কথাত ধনপতিৰ মনত সন্দেহ নাই। তেওঁ অৱশেষত তেওঁৰ সেৱক বিশালকে তেওঁৰ শেষ ইচ্ছাৰ কথা কৈ যাব বুলি মনস্থ কৰি বিশালক হাত-বাউল দি মাতিলে।

আৰু ঠিক তেতিয়াই দেখা পালে এক অদ্ভুত দৃশ্য। বিশালৰ দেহৰপৰা অকস্মাৎ জেউতি ওলোৱা দেখা পাই ধনপতি একেবাৰে স্তম্ভিত তথা হতবাক হৈ পৰিল!

কেইমুহূৰ্তমানৰ পাছত ধনপতিয়ে উপলব্ধি কৰিব পাৰিলে যে—দিব্যপুৰুষ আকাশৰপৰা নামি নাহে, মানুহৰ মাজতে মানুহৰ ৰূপতে দিব্যপুৰুষ থাকে। তেওঁ অবোধ বুলিয়েই ইমান দিন ধৰি মাটিলৈ নাচাই তেওঁৰ মুক্তিৰ বাবে আকাশলৈ চাই আছিল।

ধনপতিয়ে ভীল-চৰ্দাৰ জটালক মতাই অনাই, জটালৰ আগতে তেওঁৰ যাৱতীয় ধন-সম্পদ তেওঁৰ সেৱক দিব্যপুৰুষ বিশালৰ নামত লিখি দিলে।

এই ঘটনাৰ কিছুদিনৰ অন্তত ধন-সম্পদৰ কাঁইটৰপৰা মুক্ত হৈ ধনপতি পৰম প্ৰশান্তিৰে স্বৰ্গী হ'ল।



আইতাকৰ হাঁহি

নীতুজনীয়ে সদায় ইস্ত্ৰি কৰা কাপোৰ-কানি পিন্ধে। তাইৰ কাপোৰ-কানি কোনেও কাহানিও কোঁচমোচ খাই থকা দেখা নাই। তাইৰ বান্ধৱীহঁতে তাইক দেখি সদায় অবাক মানে। বান্ধৱীহঁতেও ধোবাই ইস্ত্ৰি কৰা কাপোৰ-কানিকে পিন্ধে, পিছে এদিনৰ পাছত কোঁচমোচ খাই যায়। কিন্তু নীতুৰ সদা-সৰ্বক্ষণেই পৰিপাটি ইস্ত্ৰি। এই কথাত নীতুৰ বান্ধৱীহঁতৰ মনত ঈৰ্ষাৰে ডেই পুৰি যায়।

কিন্তু—নীতুৰ মাকে নীতুৰ এই কামৰ কদাপি শলাগ লোৱা নাই। তেওঁ কয়, "নীতুৰনো কেতিয়া কাম বনত মন? তাই সদায় ধেমালি-ধুমুলাতে সময় কটায়। মোৰ ইমান কামৰ মাজত অলপ হাত-উজান দিলেই মোৰ সহায় হয়; কিন্তু তাই হাতলেক নাদাঙে। পিছে হয়—তাই নিজৰ কাপোৰ কানিত সদায় ইস্ত্ৰি মাৰে। তাকো নিজৰখিনিৰহে মাথোন, আমাৰখিনি ছুইও নাচায়।"

এইবোৰ শুনি শুনি এদিন নীতুৰ আইতাকে নীতুক ক'লে, "হেঁ—নীতু, মাৰ কাম-বনত অলপ-অচৰপ সহয়া-তহায় নকৰনো কেলেই অ'?"

শুনি নীতুৰ খং উঠিল, তাই ক'লে, "আইতা, তুমিনো মাৰ কথা জানা কিটো? কাম যিমানেই নকৰোঁ লাগিলে—মা কেতিয়াও তুষ্ট নহয়। মুঠমাঠ—মই একেবাৰে খেল-ধেমালি নকৰি সদায় কাম কৰি থাকিলেহে কিজানি মাৰ মন বহিব। যিওবা কৰিছিলোঁ, এতিয়া একোকে নকৰোঁ।"

পৱন শইকীয়া

আইতাকে ক'লে, "মানিলোঁ পিছে—আন কাৰোবাকো সহায় নকৰ কিয় ?"

"হাৰে আইতা. তুমি একেবাৰে একোকে নুবুজা বুলিহে এনেকৈ কৈছা। মোৰ কথা দেউতাই কি কয় জানা নহয় ? তেওঁ কয় — নীতু হ'ল কণমানিজনী, তাই লৰহুহেন কোমল. গতিকে—তাইক এতিয়াই কোনো কামত লগোৱাটো ঠিক নহ'ব। সেইদেখি মই দেউতাৰ কামতো সহায় নকৰোঁ। কিয়নো—তেতিয়া দেউতাই মোক ডাঙৰ হোৱা বুলি ভাবিব। তাৰ পাছত—ককাইদেউৰ কথা। ককাইদেৱে মোক মৰম-ধৰম একোকে নকৰে। মই কিয় তাৰ কাম কৰিম ? আৰু ভণ্টিৰ কথা ক'বা ? তাই মোতকৈ ঢেৰ ঢেৰ সৰুজনী। তাইৰ কামো কৰি দিব লাগিবনে কি ? মোৰ ইজ্জত বোলা একো নাইনে ? আৰু—তাই মোৰ কথা একেবাৰে নুশুনে। মই কিয় তাইৰ কাম কৰি দিম কোৱাচোঁ।" নীতুৱে মকৰা হিচাপ কৰিলে।

"বাৰু, তুমি তেন্তে—কাৰো কাম নকৰিবা ?" আইতাকে সুধিলে।

"এ—নহয়। কথা তেনেকুৱা নহয়। মই প্ৰত্যেকৰে কাম কৰি দিম। কিন্তু—আচল কথা হ'ল—প্ৰত্যেকেই মোক অনাদৰ-অৱহেলা কৰে। মই যে তোমাৰ হৈ কাম কৰিম, পানীত নামিম, তুমিও নানামিলে নহ'ব নহয় ?" নীতুৱে ক'লে।

"আইঔ! তুমি একেবাৰে তোমাৰ ককাৰৰ দৰেই কৈছা দেখোন !"

ঠিক তেতিয়াই নীতুৰ মাক তালৈ আহিল আৰু ক'লে. "নীতু. আমাৰ ভগলু ধোবা গাঁৱত নাই, ক'ৰবালৈ গ'ল. ইপিনে—মই মাগনলৈ আমাৰ জমিদাৰৰ ঘৰলৈ যাব লাগিব। মোৰ পাটৰ শাড়ী-খনত তই অলপ ইস্ত্ৰি কৰি দিব পাৰিবিনে এতিয়াই ?"

"ম্—মই নোৱাৰিম।" নীতুৱে টপৰাই

কৈ উঠিল। কিন্তু কৈযেই তলমূৰ হ'ল।

এই কথা শুনি নীতুৰ মাকে নীতুক ককৰ্থনা কৰিবলৈ ধৰোঁতে আইতাক পুনৰ সোমাই আহিল আৰু কৈ থাকিল, "বুইছা বো'ৱাী, ল'-ছালীয়ে কাম-বন নকৰা হ'লে তেনেকৈ কেটেৰ-জেঙেৰকৈ নহ'ব নহয়? —বুজাই-বৰাইহে কাম কৰাব লাগিব। ইমানকৈ মুখ ফালি তীখা দি থাকিলে সিহঁত কিন্তুক আৰু বেয়া হ'ব।"

"ঠিক আছে, মই বাৰু নক'ৰেঁই একো। তাই মোৰ পাটৰ কাপোৰখন কিয় ইস্তিৰি কৰি নিদিব?"

"দিব, কিয় নিদিব? মই কৰাই দিম।" আইতাকে ক'লে। জীয়েকক ক'ব বুলি ভাবিও আৰু একো নকৈ নীতুৰ মাক তাৰপৰা নীৰৱে গুচি গ'ল।

আইতাকে তেতিয়া নাতিনীয়েকক ক'লে, "শুনা নীতু. তুমি যদি মাৰাৰ পাটৰ কাপোৰখন ইস্ত্ৰি কৰি দিয়া, তেনেহ'লে তেওঁ তোমাকো পাটৰ কিবা এটা দিব।"

শুনি নীতু অবাক হ'ল। তাই আইতাকক অবিশ্বাসৰ সুৰত ক'লে, "কেতিয়াও হ'ব নোৱাৰে, মাই মোক একোকে নিদিয়ে।"

এই কথাৰ উত্তৰত আইতাকে হাঁহি হাঁহি নীতুক শুন-নুশুনকৈ কিবা এটা উপায়ৰ কথা ক'লে।

অলপ সময়ৰ পাছত নীতুৰ মাকৰ



ওচৰলৈ আছিল চুবুৰীয়া ৰাণীৰ মাক। ৰাণীৰ মাকে নীতুৰ মাকক ক'লে, "ব'লা বাইদেউ, দোকানৰপৰা পাটৰ কাপোৰ এখন কিনি আনোগৈ ব'লা। মাগনলৈ ওলাবলৈ মোৰ পাটৰ শাড়ী নাই।"

নীতুৰ মাকে আচৰিত হৈ সুধিলে, "কি কোৱা! এয়া—যোৱা মাহতে পাটৰ কাপোৰ আনিছিলা নহয় এখন?"

ৰাণীৰ মাকে হুমুনিয়াহ কাঢ়ি ক'লে, "নক'বা আৰু। এতিয়াৰ ল'ৰা-ছোৱালী-হঁতৰ কথা কিনো ক'বা। সিদিনা মোৰ ছোৱালীজনীক সেই পাটৰ কাপোৰখন ইস্ত্রি কৰি দিবলৈ ক'লোঁ, তাই হুঠাইত পুৰি পেলালে শাড়ীখন — আৰু ইচ্ছা কৰিয়েই পুৰি পেলালে।"

"কি কোৱা!" "নীতুৰ মাকে অচৰিত হৈ ক'লে, "তাই—ইচ্ছা কৰি পুৰি পেলালে কিয়! কি লাভ হ'ল তাইৰ?"

"পোনতে ময়ো বুজা নাছিলোঁ কথাটো। পাছত বুজিলোঁ। এই পাটৰ কাপোৰখনেৰে তাই নিজৰ কাৰণে সাজপাৰ সুযোগমান চিলোৱালে।" ৰাণীৰ মাকে ক'লে।

ৰাণীৰ মাক গুচি যোৱাৰ পাছত নীতু আহিল তাত আৰু আহিয়েই মাকক ক'লে, "মা, তোমাৰ পাটৰ কাপোৰ কি আছে দিয়া, ইস্ত্রি কৰি দিম।"

নীতুৰ-মাকে গম্ভীৰ কণ্ঠেৰে ক'লে, "নেলাগে মোক ইস্ত্রিৰি-ফিস্ত্রিৰি। তুমি যদি মোৰ কাপোৰখন ইচ্ছা কৰি পুৰি পেলোৱা—তেতিয়া? তেতিয়া কি হ'ব? তোমাকো মই সেই কাপোৰখনেৰে কিবা সাজ-পাৰ চিলাই দিম বুলি নাভাবিবা।"

এই কথা শুনি নীতু লাজতে তলমূৰ হ'ল। নীতুৱে বা তাইৰ আইতাকেও বুজি নেপালে যে তেওঁ কেনেকৈ ক'ৰপৰা এই কথা গম পালে।

আইতাকৰ সেই হাঁহিত যে কি আছিল কোনেও তাৰ ভু পোৱা নাছিল।

শ্ৰীজগন্নাথ-কথা

৩

কৃষ্ণৰমূৰ্তিৰে সৈতে গুহাৰপৰা ওলাই অহাৰ পাছত বিদ্যাপতি পুনৰ ঘোঁৰাৰ পিঠিত উঠি দ্ৰুতগতিৰে ৰাজধানী পালেগৈ।

ৰজাই বিদ্যাপতিক ক'লে, "বিদ্যাপতি! তোমাৰ শুভাগমনলৈ মই আগ্ৰহৰে বাট চাই আছিলোঁ। কাৰ্য্য সম্পন্ন হ'লনে?"

"মোৰ ধাৰণা, যি দেৱমূৰ্তিক বিচাৰি মই ওলাইছিলোঁ, সেই দেৱমূৰ্তি মই লৈ আহিছোঁ। তথাপি‥‥"

বিদ্যাপতিয়ে বাক্যষাৰ সম্পূৰ্ণ কৰিবলৈ নৌপাওঁতেই মহাৰজাই কৈ উঠিল, "বিদ্যাপতি! পুত্ৰ মোৰ! মনত সন্দেহ-শংকা কদাপি পোষণ নকৰিবা। জীৱনৰ বৃহৎ কৰ্মবোৰত সদায় সংকটৰ সন্মুখীন হ'ব লাগে। তুমি কেনেকুৱা সংকটৰ সন্মুখীন হৈছিলা, কোৱাঁ। সেই সংকটৰ সমাধানত মই পূৰ্ণ সহযোগিতা কৰিম।"

"সংকট মোৰ নিজৰেই সৃষ্ট, আৰু মোৰেই সংকট। এই সংকট আন কোনেও দূৰ কৰিব নোৱাৰিব। আজি এই কথাই মোক খুলি খাইছে যে — যি দেৱমূৰ্তি মই মন্দিৰত স্থাপন কৰিবলৈ লৈ আহিছোঁ সেই মূৰ্তি মই চুৰি কৰিহে আনিছোঁ। যিজন মানুহে মোক অন্তৰেৰে মৰম কৰিছিল, মোৰ হাতত নিজ-কন্যাক পৰম বিশ্বাসৰে অৰ্পণ কৰিছিল, তেওঁৰ প্ৰতি, মোৰ বিবাহিতা পত্নীৰ প্ৰতিও মই বিশ্বাসঘাতকতা কৰিলোঁ। আৰু কালিলৈ

মূৰ্তি-প্ৰতিষ্ঠা



উপজিপুৰাতেই মোৰ এই বিশ্বাসঘাতকতাৰ কথা তেওঁলোক গম পাব।" বিদ্যাপতিয়ে খেদ মনেৰে ক'লে।

তেতিয়া মহাৰাজে বিদ্যাপতিক সান্ত্বনা দিয়াৰ চেষ্টা কৰি ক'লে, "পুত্ৰ! এনেকৈ চিন্তা কৰাৰ চিন্তা পৰিহাৰ কৰাঁ। জন-কল্যাণৰ বাবে মানুহে সদায় সৰু-সুৰা ত্যাগ কৰিব লাগে।" এই বুলি কৈ মহাৰাজ এখন্তেক ৰ'ল আৰু তাৰ পাছত পুনৰ ক'লে, "এটা কথা তোমাক কোৱা নহ'ল, কওঁ। সাগৰৰ বুকেৰেদি এডোখৰ বিৰাট কাঠ কালিলৈ বোৱাৰী-পুৰাতে ভাহি আহিব বুলি মই ৰাতি সপোনত দেখা পাইছোঁ। এই কাঠডোখৰ কুন্দাই ভগৱানৰ মূৰ্তি বনাব লাগিব। তুমি যি দেৱমূৰ্তি লৈ আহিছা. সেই মূৰ্তিত ভগৱান বিষ্ণুৰ অংশ আছে। কুন্দাই বনোৱা দাৰুমূৰ্তিৰ লগত অৰ্থাৎ সেই কাঠৰপৰা ওলোৱা মূৰ্তিৰ লগত এই মূৰ্তিও আমি স্থাপন কৰিম। এই দিব মূৰ্তি চাই সেই ভীল-মহাত্মাই অত্যন্ত ভাল পাব বুলি মই ভাবোঁ।"

সিদিনাই বোৱাৰীপুৰাতে বিদ্যাপতিক লগত লৈ মহাৰাজ ইন্দ্ৰদ্যুম্ন সাগৰতীৰলৈ গ'ল। সূৰ্য্যৰ স্বৰ্ণালী ৰেখা সাগৰ-দিগন্তত দেখা পোৱাৰ লগে লগে সপোনত দেখা পোৱা সেই দাৰু বা কাষ্ঠডোখৰ মহাৰাজৰ দৃষ্টি গোচৰ হ'ল আৰু তেওঁ মহা আনন্দৰে চিঞৰি উঠিল: "সোৱা—সোৱা! কাষ্ঠ-ডোখৰ! স্বপ্নাদ্য দাৰুডোখৰ—কাষ্ঠডোখৰ ঢৌৰ লগত ভাহি আহিব ধৰিছে!"

যিমান মানুহ তাত আছিল—সকলোটিয়েই মুক্ত কণ্ঠে ক'লে, "হয়, মহাৰাজ! বিৰাট দীঘলীয়া কাঠডোখৰ আমি দেখা পাইছোঁ।"

পাছ মুহূৰ্তত অসংখ্য নাও সাগৰৰ বুকুত মেলি দিয়া হ'ল। নাৱৰীয়াহঁতে কাঠডোখৰৰ কাষ পাই সেইকাঠ-ডোখৰ ঠেলি ঠেলি সাগৰৰ পাৰ পোৱাবলৈ

চেষ্টা কৰি থাকিল। কিন্তু সেইডোখৰ কাষ্ঠক ইমানবোৰ নাৱৰীয়াই ঠেলি-হেঁচুকি এহাতমানো আৰু আঁতৰ কৰিব নোৱাৰিলে। বহু সময় ধৰি এইদৰে চেষ্টা কৰাৰ অন্তত কাঠডোখৰক ৰছীৰে বান্ধি পাৰলৈ টানি আনিবলৈ চেষ্টা কৰিলে ; কিন্তু তথাপি সেই কাষ্ঠডোখৰক তিল-পৰিমাণো লৰাব পৰা নহ'ল।

ঘটনাদৃষ্টে মহাৰাজ চিন্তিত হ'ল। কিহত কেনেকৈ কি জগৰ লাগিল— মহাৰাজে ভাবি থাকিল। সাগৰৰ পানীৰ বুকুত ভাহি থকা কাষ্ঠ এডোখৰ কেনেকৈনো শিলৰদৰে অলৰ হৈ থাকিব পাৰে? মহাৰাজৰ আদেশ মতে পুনৰ এবাৰ চেষ্টা কৰি চোৱা হ'ল ; কিন্তু আগৰ দৰেই সেই চেষ্টাও ব্যৰ্থ হ'ল।

সন্ধ্যা হ'ল। সন্ধ্যা ভাগি ৰাত্রি হ'ল। সোণ-খটোৱা দোলাত উঠি অৱশেষত মহাৰাণী গুণ্ডিচাদেৱীও সাগৰৰ তীৰ পালেহি। মহাৰাণীয়ে মহাৰাজক সুধিলে, "মহাৰাজ, আপুনি—ৰাতিৰ পৰতো সাগৰৰ পাৰতে থাকিবনে?"

"দেৱী, মই যে কি কৰিম—কি কৰা উচিত—একো ভাবি উলিয়াব পৰা নাই।" এই বুলি কৈ মহাৰাজে চকু মুদি দিলে আৰু কেইমুহূৰ্ত্তমানৰ অন্তত হঠাৎ তেওঁ জোৰেৰে চিঞৰি নাৱৰীয়াহঁতক ক'লে, "দাৰুডোখৰ পাৰলৈ অনাৰ চেষ্টা বন্ধ কৰঁা!" তাৰ পাছত তেওঁ বিদ্যাপতিক ক'লে, "এতিয়া মই বুজি পাইছোঁ— দাৰুডোখৰ তাত কিয় অচল হৈ আছে। পুত্ৰ মোৰ! বিদ্যাপতি! মোক তুমি সেই ভীল-মহাত্মাৰ ওচৰলৈ লৈ ব'লা।"

লগে লগে বিদ্যাপতি সেই ভীল-অধ্যুষিত ঠাই-ডোখৰলৈ ৰাওণা কৰিলে। লগে লগে মহাৰাজো গৈ থাকিল ভীল-চৰ্দাৰ বিশ্ব-বসুৰ সৈতে সাক্ষাৎ কৰিবলৈ। আৰু পাছদিনা দুপৰীয়াৰ পাছত যেতিয়া বেলিয়ে অলপ লাহ দিলে, তেতিয়া তেওঁ-

লোক ভীলহঁতৰ পাহাৰ পালেগৈ।

ভীল-ৰাজ্য সদায় শান্ত ; কিন্তু আজি একেবাৰে নিস্তব্ধ শান্ত। সকলো নিথৰ-নিৰৰ। আন দিনাৰ দৰে আজিও বিশ্ববসু দেৱতাক পূজিবলৈ গুহালৈ গৈছিল। তাৰ পাছত তেওঁ হেঁপাই-ফোঁপাই আহি জীয়েক ললিতাক কৈছিলহি, "বেটী, বিদ্যাপতিয়ে এয়া—এয়ানো কী কৰিলে ··।" আৰু এই কথা কৈয়েই অচেতন হৈ পৰিছিল।

পাছত, যেতিয়া বহু চেষ্টাত বহু সময়ৰ অন্তত ভীল-চৰ্দাৰ বিশ্ববসুৱে চেতনা ঘূৰাই পাইছিল, তেতিয়া তেওঁ সকলো কথা কৈছিল জীয়েক ললিতাক। শুনি ললিতা বিভ্ৰান্ত হৈ পৰিছিল ঃ কেনেকৈনো ভদ্ৰ-শান্ত মানুহজন চোৰ হ'ব পাৰে?

বিশ্ববসু তেতিয়া সেই শূন্য গুহাৰ ওচৰ এচটা শিলৰ ওপৰত বহি কান্দি আছিল। পৰমআৰাধ্য বংশৰ দীপ সেই দেৱতাক হেৰুৱাই কেনেকৈনো জীৱন ধাৰণ কৰিব? বিশ্ববসু শিশুৰ দৰে কান্দি আছিল। বহুতে বৃদ্ধ বিশ্ববসুক বুজনি দি আছিল বিভিন্ন কথাৰে; কিন্তু বিশ্ববসু অশান্ত হৈয়েই আছিল।

হঠাৎ এজন ভীল যুৱক তালৈ কাঁড়ৰ গতিৰে দৌৰি দৌৰি আহিল আৰু বৃদ্ধ বিশ্ববসুক ক'লে, "পাহাৰ পাৰ হৈ আমাৰ এদল মানুহ ইয়ালৈ আহিব ধৰিছে। লগত দেশৰ ৰজাও আছে।"

শুনি সকলোটি চমকি উঠিল।

আৰু লগে লগে আন এজন ভীল যুৱকে হেঁপাই-ফোঁপাই দৌৰি আহি ক'লে, পাহাৰ পাৰ হৈ আহি থকা মানুহবিলাকৰ মাজত বিদ্যাপতিকো দেখা গৈছে!"

"কি!" এক প্ৰৌঢ় ভীলে কৈ উঠিল, "আমাৰ দিব্যদেৱতাক লৈ গ'ল, এতিয়া আকৌ লুট কৰিবলৈ আহিছেনে কি।"

"নহয় নহয়, কথা তেনেকুৱা নহ'ব। ৰজা লগত আছে যদি—কথা অন্য কিবা হ'বহে। মহাৰজাই বোধ কৰোঁ আমাৰ-

চৰ্দাৰৰ লগত কিবাকিবি কথা হ'ব।" এজন বুঢ়া মানুহে ক'লে।



বহু দূৰৰপৰা ৰজাক আহি থকা দেখা গ'ল। বিশ্ববসু তেতিয়া এচটা শিলৰ দৰে থিয় হৈ আছিল। মহাৰাজ পোনেই পোনেই বিশ্ববসুৰ ওচৰ চাপিল আৰু বিশ্ববসুক বুকুৰ মাজত আঁকোৱালি লৈ ক'লে, "মহাশয়, — চোৰ তোমাৰ জোঁৱাৰেৰ নহয়, মইহে। ক্ষমা কৰাঁ।"

ৰজাৰ মুখৰপৰা এই কথা শুনি সকলোটি চঁক খাই উঠিল, আৰু ৰজাৰ পিনে ট' টঁকৈ চাই থাকিল।

মহাৰাজ নিজে এচটা শিলৰ ওপৰত বহিল আৰু বিশ্ববসুকো আন এচটা শিলৰ ওপৰত বহিবলৈ ইংগিত কৰিলে। মহাৰাজে মহাত্মা যেন লগা বিশ্ববসুক ক'লে, "হে বিশ্ববসু, অনুগ্ৰহ কৰি মোৰ কথা শেষলৈকে শুনিবা।" এই বুলি কোৱাৰ অন্তত মহাৰাজে জগন্নাথপুৰীৰ সাগৰতীৰত মন্দিৰ নিৰ্মাণৰপৰা আৰম্ভ কৰি ভগৱানৰ মূৰ্তি বিচাৰি আনিবৰ বাবে চাৰিওফালে পণ্ডিতবৰ্গক প্ৰেৰণ কৰাৰ কথা, আৰু কেনেকৈ কিয় বিদ্যাপতিয়ে এই গুহাস্থিত দিব্যমূৰ্তি এনেকৈ লৈ যাবলগা হ'ল—সকলো বিবৰিলে আৰু তাৰ পাছত বিশ্ববসুক পুনৰ ক'লে,

"বিশ্ববসু, যদিও এই দিব্যমূৰ্তি তোমা-লোকৰ এক মহান ঐতিহ্যপূৰ্ণ মূৰ্তি, তথাপি দেশৰ অগণিত ভক্তৰ বাবে আমি এই দিব্যমূৰ্তিক আমাৰ সাগৰৰ বুকুৰেদি ভাহি অহা দিব্য দাৰুখণ্ড কুন্দি উলিওৱা মূৰ্তিৰ ভিতৰত সুৰক্ষিত কৰি থ'ম বুলি সংকল্প কৰিছোঁ। কিন্তু এই কাৰ্য্যত তোমাৰ স্বেচ্ছা-সন্মতিৰ আৱশ্যক হ'ব। মোৰ একান্ত প্ৰাৰ্থনা দেশৰ অগণিত ভক্তৰ কথা চিন্তা কৰি, তুমি তোমাৰ এই দিব্যমূৰ্তিক জগন্নাথপুৰীৰ সাগৰতীৰস্থ মন্দিৰত প্ৰতিষ্ঠা কৰিবলৈ অনুমতি দিয়া!"

বিশ্ববসুৱে নীৰৱে মূৰ কাতি কৰি

এই প্ৰস্তাৱত তেওঁৰ পূৰ্ণ সন্মতি জ্ঞাপন কৰিলে।

মহাৰাজে সাগৰৰ বুকুৰেদি ভাহি আহি থকা স্বপ্নাদ্য কাঠখণ্ডক তেওঁলোকৰ হেজাৰ চেষ্টাতো যে সাগৰৰ তীৰ পোৱাব পৰা নাছিল। সেইবোৰ কথাও ভাঙি-পাতি ক'লে। তাৰ পাছত মহাৰাজে বিশ্ববসুক টানি অনুৰোধ কৰিলে তেওঁলোকৰ লগত জগন্নাথপুৰীৰ সাগৰৰ তীৰলৈ যাবলৈ।

বিশ্ববসুৱে নম্ৰতাৰে ক'লে, "মহাৰাজ, আপোনাৰ আজ্ঞা শিৰোধাৰ্য্য কৰিলোঁ। ময়ো আপোনালোকৰ লগত ওলাম।"

মহাৰাজে বিশ্ববসুক পুনৰ আঁকোৱালি ল'লে আৰু ললিতালৈ চাই ক'লে, "আই, তুমি তোমাৰ পতি বিদ্যাপতিক তেওঁৰ এই কাৰ্য্যৰ বাবে বেয়া নাপাবা। জনকল্যাণৰ কথা চিন্তি এই কাৰ্য্য কৰাৰ বাবে বিদ্যাপতি অত্যন্ত অনুতপ্ত।"

বিদ্যাপতিয়ে ললিতালৈ আৰু ললিতায়ো বিদ্যাপতিলৈ চালে। ললিতাৰ দুচকুৰপৰা আনন্দশ্ৰু বাগৰি আহিল।

তাৰ পাছত—শুভ মুহূৰ্তত বিশ্ববসুকো লগত লৈ মহাৰাজ ইন্দ্ৰদ্যুম্নই পুনৰ সাগৰতীৰলৈ বুলি যাত্ৰা কৰিলে।

সাগৰৰ তীৰ পাই, মহাৰাজ ইন্দ্ৰদ্যুম্নৰ অনুৰোধক্ৰমে ভীল-চৰ্দাৰ বিশ্ববসু নাৱত উঠি সাগৰৰ উত্তাল পানীতো স্থিৰ হৈ থকা সেই কাষ্ঠডোখৰ কাষ চাপিলে, আৰু ভগৱানক সুঁৱৰি ভক্তিযুক্ত মনেৰে কাষ্ঠডোখৰক হাতেৰে স্পৰ্শ কৰিলে।

আৰু পাছমুহূৰ্তত সেই অলৰ-অচৰ বিৰাট কাষ্ঠখণ্ড সাগৰজলৰ বুকুত উমলি-জামলি চাওঁতে চাওঁতে সাগৰৰ তীৰ পালেহি। সাগৰ তীৰত বৈ থকা হাজাৰ-বিজাৰ ভক্তই জয়ধ্বনি দিলে।

পাছদিনা মহাৰাজে ৰাজকীয় মূৰ্তিকাৰক যেতিয়া কাষ্ঠডোখৰ কুন্দি দেৱমূৰ্তি সাজি উলিয়াবলৈ ক'লে, তেতিয়া ৰাজকীয়



মূতিকাৰে এই কাৰ্যত তেওঁৰ অক্ষমতা প্ৰকাশ কৰাত এজন অচিনাকি বৃদ্ধই এই কাৰ্যৰ দায়িত্ব— তেওঁৰ চৰ্ত মতে ল'বলৈ ইচ্ছা প্ৰকাশ কৰিলে।

বৃদ্ধৰ চৰ্ত হ'ল তেওঁ সম্পূৰ্ণ অকলশৰে কাঠ কুন্দি মূতি নিৰ্মাণ কৰিব, আৰু তেওঁ য'ত বহি কাম কৰিব, তাত কোনো এজনো সোমাব নোৱাৰিব। আনকি— মূতি নুলিউৱালৈকে তেওঁক কোনো প্ৰকাৰৰ খাদ্য বা পানীয়ৰ আৱশ্যক নহ'ব। সম্পূৰ্ণ একান্তভাবে তেওঁ এই কাৰ্য্য কৰিব।

মহাৰাজ বৃদ্ধৰ প্ৰস্তাৱত সন্মত হ'ল। বৃদ্ধই এটা কক্ষত দুৱাৰ জপাই তেওঁৰ কাম কৰি থাকিল। এইদৰে বহুদিন পাৰ হ'ল। আৰু তাৰ পাছত এদিন বৃদ্ধৰ সেই কক্ষটোৰ ভিতৰৰপৰা আৰু কোনো শব্দ নুঠা হ'ল।

দ্বিতীয় দিনো সেই কক্ষটো নিটাল মাৰি থাকিল। মহাৰাণী গুণ্ডিচাদেৱীয়ে বৃদ্ধ শিল্পীৰ কিবা অমংগলীয়া অৱস্থা হোৱা বুলি ভাবি কক্ষৰ দুৱাৰখন অল্পপমান ঠেলি ভিতৰলৈ জুমি চালে।

বৃদ্ধই তেতিয়াও কাঠৰ মূতিত কাৰুকৰ্ম কৰি আছিল। যেতিয়া বৃদ্ধয়ো মহাৰাণীক দেখা পালে. তেতিয়া বৃদ্ধ অকস্মাৎ অদৃশ্য হৈ পৰিল; আৰু সেই নিৰ্মীয়মান দেৱতাৰ মূতি আধৰুৱা হৈ থাকিল।

ঘটনাৰ কথা শুনি স্তম্ভিত-বিস্মিত-অনুতপ্ত ৰজাই ভাবিলেঃ এই বৃদ্ধ শিল্পী নিশ্চয় স্বয়ং বিশ্বকৰ্মাহে আছিল।

মহাৰাজে এই আধৰুৱাকৈ সজা দাৰুমূতি, বিদ্যাপতিয়ে লৈ অহা কৃষ্ণ মূতি আৰু লগতে বলভদ্ৰ তথা সুভদ্ৰাৰ মূতি এই মন্দিৰত স্থাপন কৰি বিদ্যাপতিক বংশজ পুৰোহিতৰূপে বৰণ কৰিলে।

সিদিনাৰেপৰাই পুৰীৰ শ্ৰীশ্ৰীজগন্নাথ মন্দিৰ আমাৰ দেশৰ অন্যতম সুবিখ্যাত বিষ্ণু-মন্দিৰ ৰূপে বিৰাজিত। [অন্ত



বিচক্ষণ বান্দৰ

বহু বহু কালৰ আগৰ কথা। স্পেনদেশত পেড্রো নামৰ এজন যুৱক আছিল। পেড্রোই উদণ্ড ষাঁড়ৰ সৈতে যুঁজি ৰাইজক তৌবা তৌবা দেখুৱাইছিল আৰু আনন্দ দান কৰিছিল। কিমান যে যুৱকে এই খেল খেলি বলিয়া ষাঁড়ৰ ধৰাল-জোঙা শিঙৰ গুঁতা খাই ঘুনীয়া হৈ জীৱন কটাইছিল, তাৰ লেখঃজোখ নাই। কিন্তু পেড্রো আছিল দুঃসাহসী, আৰু লগতে বিচক্ষণ তথা উপস্থিত বুদ্ধিৰ ভঁৰাল। এলিয়া ষাঁড়ে যেতিয়াই তাক ধুমুহা অহাদি খেদি আহিছিল, পেঁড্রোই প্ৰচণ্ড গতিৰে দৌৰি থিয় জাঁপ মাৰি কোনোবা এজোপা গছৰ ডালত ধৰি ওলমি দিছিল। তেতিয়া পেড্রোক হুবহু বান্দৰ যেন লাগিছিল, আৰু তাৰ ফলত তাক ৰাইজে মৰমতে 'বিচক্ষণ বান্দ'ৰ বুলি মাতিছিল।

দেশ-বিদেশলৈ ফুৰিবলৈ যোৱাৰ বৰ মন পেড্রোৰ। কিন্তু যায়নো কেনেকৈ? টকা লাগে লগ লাগে সংগে লাগে—লাগে কত কি। এনেতে—হঠাৎ এদিন এজন নাবিকৰ সৈতে পেড্রোৰ চিনাকি হ'ল, চিনাকি ক্ৰমে বন্ধুত্বলৈ বাগৰিল, আৰু তাৰ ফলত—এইজন নাবিকৰ লগ লৈ সাগৰ যাত্ৰা কৰি কিছুদিন অন্তত পেড্রো গৈ গৈ চীনদেশ পালেগৈ।

তেতিয়া চীনদেশৰ ৰাণী আছিল লিং পিং চিং নামৰ এগৰাকী নাৰী। এদিন এই মহাৰাণীৰ কিচ কিচ কৰে ক'লা দীঘল চুলিটাৰিৰ মাজত এডাল ৰূপৰ তাঁৰ যেন বগা চুলি দেখা পোৱা গ'ল। মহাৰাণীয়ে তৎক্ষণাৎ জ্যোতিষীহঁতক মতাই পঠালে।

'স্পেনদেশৰ লোক-কথা'



খবৰ পোৱা মাত্ৰেই জ্যোতিষীহঁত যি যেনেকৈ যেনিয়েদি পাৰিলে দৌৰি আহিল। আহি সকলো বিবৰণ শুনি—আৰু দেখি—মহাৰাণীৰ মূৰত এই ৰূপালী তাঁৰ কেনেকৈ আহিল তাৰ গৱেষণাত লাগিল। জাপ জাপ তালপতীয়া পুথি খুলি-মেলি চলথ কৰি চালে। আৰু তাৰ পাছত—এই ৰূপোৱালী তাঁৰৰ ৰহস্য ভেদ কৰিব নোৱাৰি মহাৰাণীৰ মুখলৈ চাই ৰ'ল।

"ইয়াৰ ফলাফল অত্যন্ত অশুভ, মহাৰাণী, আপোনাৰ ওপৰত নিশ্চয় কিবা নহয় কিবা দেও-ভূত লম্ভিছে।" এজন বুঢ়া জ্যোতিষীয়ে মহাৰাণীক ক'লে।

"কি কয়!" মহাৰাণীয়ে কৈ উঠিল, "ইয়াক তেন্তে খেদা যাব কেনেকৈ?"

তেতিয়া আটাইবোৰ জ্যোতিষীয়ে কৈ উঠিল, "আমি নিৰুপায়, মহাৰাণী, কিয়নো এই তালপতীয়া গ্ৰন্থত এই বিষয়ে একো লিখা হোৱা নাই।"

ঠিক তেতিয়াই এজন ডেকা জ্যোতিষীয়ে কৈ উঠিল "মহাৰাণী, মই এটা সূত্ৰৰ সন্ধান পাইছোঁ। বৰ দুখৰ কথা, কথাটো আপোনাক—একপ্ৰকাৰে বাধ্যত পৰিয়েই ক'ব লাগিব।"

"দুখ-শোক পাছতো কৰিবা, এতিয়া কথাটোকে কৈ দিয়া।" মহাৰাণীয়ে ক'লে।

ডেকা জ্যোতিষীয়ে কওঁ-নকওঁকৈ কাওঁবাওঁকৈ ক'লে, "আপোনাৰ এই ৰূপালী চুলিত এক দুষ্টাত্মাই লম্ভিছে, আৰু তাৰ হেতুকে অতি শীঘ্ৰেই আপোনাৰ দাঁতৰ বিষ উঠিব।" কৈয়েই ডেকা জ্যোতিষীয়ে চেৰেউ-ফেৰেউকৈ কান্দি উঠিল।

মহাৰাণীৰ চকুযুৰিও চলচলীয়া হৈ উঠিল। তেওঁ উচুপি থকা ডেকা জ্যোতিষীক মুকুতাৰ মালা এধাৰ দি কথমপি তাক শান্ত কৰিলে।

মূল্যৱান মুকুতাৰ মালা পাই ডেকা জ্যোতিষী গুচি গ'ল; কিন্তু সকলোকে

কন্দুৱাই থৈ গ'ল। কিয়নো—মহাৰাণীয়ে কন্দা দেখা পাই গোটেই ৰাজ-পৰিয়াল-খনেই মহাৰাণীৰ দুখত কান্দি থাকিল।

আৰু ঠিক তেতিয়াই আমাৰ পেড্ৰোই এই ৰাজধানীত ভৰি দিলে।

পেড্ৰো যেতিয়া ৰাজপ্ৰাসাদৰ কাষেদি গৈ থাকিল, তেতিয়া দুৱাওবাৰে কান্দোনৰ শব্দ উঠাত সি বৈ দিলে।

পেড্ৰোই যেতিয়া কান্দোনৰ ৰোল শুনি ৰাজবাটত বৈ আছিল, ঠিক তেতিয়াই তাৰ পিছফাললৈ এটা দুৰ্দান্ত ষাঁড় তালৈ খেদি অহাত বাটৰুৱাইতে চিঞৰি উঠিল আৰু পেড্ৰোই ষাঁড়টোৰ জোঙা শিঙৰপৰা ৰক্ষা পোৱাৰ মনেৰে জঁাপ মাৰি ৰাজ-প্ৰাসাদৰ এটা কক্ষৰ খিৰিকীত উঠি দিলে।

তাত যিটো চিপাহীয়ে পৰ দি আছিল, সি পেড্ৰোক গবা মাৰি ধৰিলে আৰু তাক বিচাৰৰ বাবে মহাৰাণীৰ দেৱানৰ হাতত গটাই দিলে। বুঢ়া দেৱানে কিছুমান বিদেশী দোৱান জানিছিল। গতিকে তেওঁ পেড্ৰোৰ লগত পেড্ৰোৰ ভাষাৰে মাত-বোল কৰিব পৰা হ'ল।

দেৱান বুঢ়াই পেড্ৰোক সুধিলে, "তুমি কৰ'পৰা আহিছা? তোমাৰ নাম কি? তুমি কি কৰা?

পেড্ৰোই ক'লে, "মই হ'লোঁ—বিচক্ষণ বান্দৰ।"

বুঢ়া দেৱানে 'বিচক্ষণ' শব্দটো





খুছ হ'ল। তেওঁ লগুৱা কেটামানক ক'লে পেড্ৰোক পিন্ধিবলৈ ৰেছমী সাজ-পাৰ দিবলৈ হুকুম কৰিলে।

ৰেছমী সাজ-পাৰ পিন্ধি লোৱাৰ অন্তত বুঢ়া দেৱানে ডেকা পেড্ৰোক লগত লৈ মহাৰাণীৰ কাষ চাপিল আৰু ক'লে, "মহাৰাণী, এই নওজোৱান হ'ল অতি বিচক্ষণ। এটা বান্দৰৰূপী দেওভূতে ইয়াক ইয়াৰ দেশৰপৰা সাতোসাগৰ পাৰ কৰি ইয়ালৈ দলিয়াই পেলালে। এওঁ যে ইয়ালৈ আহিল, আমাৰ ভাগ্য মানিব লাগিব।"

তিমানতে পেড্ৰোই মহাৰাণীৰ ভৰিৰ আগত দীঘল দি পৰিছেই।

মহাৰাণীয়ে ক'লে, "দেৱানজী, এওঁৰ যদি ইমানেই ক্ষমতা—আৰুনো পলম কিহলৈ? কামটো কৰি দিবলৈ কওক।"

দেৱানে পেড্ৰোক ক'লে কথাটো। মহাৰাণীৰ চুলিকোচাৰ মাজত থকা সেই অভিশপ্ত ধক ধক কৰে বগা জিলিকি থকা তাঁৰডাল নোহোৱা কৰিব লাগিব।

পেড্ৰো মহাৰাণীৰ পিছফাললৈ গ'ল, ৰূপোৱালী তাঁৰৰূপী বগা চুলিডাল আল-ফুলকৈ ধৰি স্পেনীয় ভাষাৰে কিবাকিবি মন্ত্ৰ মাতি থাকিল, আৰু মহাৰাণীয়ে একেবাৰে গম নোপোৱাকৈ সেই বগা পকা চুলিডাল লাহেকৈ উঘালি পেলালে।

ভালকৈ বুজি পাইছিল। তেওঁ পেড্ৰোক ক'লে, "তুমি যদি বিচক্ষণ — আমাৰ মহাৰাণীক বিপদ-বিঘিনিৰপৰা ৰক্ষা কৰিব পাৰিবানে বাৰু?"

"বিপদ? বিঘিনি? কেনেকুৱা বিপদ-বিঘিনিনো?" পেড্ৰোই পট্‌কৈ সুধিলে।

পেড্ৰোৰ প্ৰশ্নৰ উত্তৰত বুঢ়া দেৱানে পোড্ৰাক সকলো কথা সবিস্তাৰে ক'লে।

শুনি পেড্ৰোই ক'লে, "এয়ানো কি ডাঙৰ কথা? আপুনি বিশ্বাস কৰক, এনেবোৰ বিপদক মই ফুতে উৰাই দিব পাৰোঁ।"

পেড্ৰোৰ কথা শুনি দেৱানৰ দিল

তাৰ পাছত—পেড্ৰোৰ অনুৰোধত মহাৰাণীয়ে পুনৰ দাপোণলৈ চালে আৰু আনন্দৰে অধীৰ হৈ মহাৰাণী আৰু অন্যান্যয়ো কিৰীলি পাৰি উঠিল আৰু নাচিবলৈ ধৰিলে।

তাৰ পাছত মহাৰাণীয়ে বুঢ়া দেৱানক ক'লে, "দেৱানজী, এই যুৱক যে প্ৰকৃততেই বিচক্ষণ—সেই কথাত সন্দেহ নাই। আজিৰপৰা মই আপোনাৰ ঠাইত এই বিলক্ষণ বুদ্ধিমান-বিচক্ষণ যুৱকক দেৱানৰ পদত নিযুক্ত কৰিলোঁ। আৰু—যিহেতু আপোনাৰ কাৰ্য্যকাল সমাপ্ত হ'ল—সিহেতুকে — আমাৰ প্ৰথা অনুসাৰে আপোনাৰ ফাঁচীৰ বাবে শুভ মুহূৰ্তও বিচাৰি উলিয়াবলগা হ'ল। আপোনাৰ আত্মাৰ শান্তিৰ বাবে অৱশ্যে এহেজাৰ পূজাৰীয়ে এঘাৰ দিন ধৰি ভগৱন্তলৈ প্ৰাৰ্থনা জনাব। আৰু এইবোৰ কাম অনতিপলমে হ'ব লাগে।"

শুনি বুঢ়া দেৱানৰ মূৰ আচন্দ্ৰাই কৰি উঠিল, চকু কেৰকেৰকৈ কেঁৰা হ'ল।

পেড্ৰোই সোধাত দেৱানে কথাখিনি পেড্ৰোক ক'লে। পেড্ৰোই তৎক্ষণাৎ মহাৰাণীক ক'লে, "মহাৰাণী! দয়া কৰি মোক দেৱানজীৰ সহকাৰী হিচাপে মকৰল কৰক এতিয়া। পাছত—তেওঁ স্বৰ্গী হোৱাৰ পাছত মই আপোনাৰ ৰাজ্যৰ দেৱানীৰ দায়িত্ব ল'ম।"

"ঠিক আছে, তুমি মহান বিচক্ষণ বুদ্ধিমানে যেতিয়া তেনেকৈ কৈছা—সেয়ে হ'ব বাৰু।" মহাৰাণীয়ে ক'লে।

ৰাণীৰ কথা শুনি দেৱানক জ্বৰে-ঘামে আঁটি মাৰিলে। পেড্ৰোই পুনৰ মহাৰাণীক সাষ্টাংগে প্ৰণাম কৰিলে।

'বিচক্ষণ বান্দৰ' পেড্ৰো চীনদেশতে থাকি গ'ল, আৰু এজনী ধুনীয়াৰো ধুনীয়া চীনা গাভৰু পিং পঙক বিয়া কৰাই সুখে-সন্তোষে ডিংডংকৈ জীৱন কটালে।

এটকীয়া ইজ্জত

ঘিউৰ বেপাৰী মোতিৰামৰ যেতিয়া চাউল টুটি আহিল, তেতিয়া মোতিৰামে তেওঁৰ ল'ৰা দুজনক ঘিউৰ বেপাৰ কদাপি নেৰিবলৈ উপদেশ দিলে আৰু ক'লে, "শুনা ল'ৰাহঁত, বেপাৰ কৰাৰ অৰ্থ ঠগোৱা নহয়। কেতিয়াও কাকো নঠগিবা। বেহা-বেপাৰত সদায় বুদ্ধি খটুৱাই পবিত্ৰতা ৰক্ষা কৰিব লাগিব। সময়ৰ লগে লগে তোমালোকেও বেপাৰৰ এই সাৰ কথাটি কিন্তু মনত ৰাখিবা—বুদ্ধি যাৰ বেপাৰ তাৰ।"

কিছুদিনৰ অন্তত মোতিৰামৰ মৃত্যু হ'ল। তাঁৰ ল'ৰা বড়্কা আৰু সৰু ছুটকাই ঘিউৰ কাৰবাৰকে কৰি থাকিল। বড়্কাতকৈ ছুটকাৰ দোকানহে ভালকৈ চলি থাকিল। ছুটকাৰ দোকানত প্ৰতিদিন টিঙৰ পাছত টিং ঘিউ বেচা যায়। তাৰ দোকানত গ্ৰাহকৰ ভিৰ।

কিন্তু বড়্কাৰ দোকানৰ অৱস্থা সম্পূৰ্ণ বিপৰীত। বড়্কাৰ দোকানৰ গ্ৰাহক প্ৰতিদিনেই দুই-চাৰিটৈকৈ কমহে হয়গৈ।

এদিন বড়্কাই ছুটকাক সুধিলে, "ঐ ছুট্কা, ময়ো ঘিউ বেচোঁ, তয়ো। পিছে তোৰ দোকানত থদমদম, মোৰ দোকনত ইমান কম মানুহ কিয়? কাৰণ কিবা ক'ব পাৰনে?"

মুচুককৈ হাঁহি ছুটকাই ক'লে, "ভৈয়া, কথা অতি সহজ আৰু সামাইন। মোৰ ঘিউৰ পাত্ৰবিলাকতে তোমাৰ কথাৰ উত্তৰ বিচাৰি পাবা।" এই বুলি কৈ ছুটকাই ঘিউৰ পাত্ৰৰ এটালৈ আঙুলিয়ালে। বড়্কাই কৈ উঠিল, "এয়ানো কি কথা! তই উনত্ৰিছ টকাৰ ঠাইত ত্ৰিছটকাকৈ বেচিছ—তথাপি তোৰ দোকানত ইমান ভিৰ!"

"এটকাকৈ দাম বঢ়োৱাত ৰাইজে—তোমাৰ ঘিউতকৈ মোৰ ঘিউকহে ভাল বুলি ভাবিছে। বঢ়া দামৰ ইজ্জতো বঢ়া।" ছাইমুঠি ধৰিলে সোণমুঠি হোৱা ছুটকাই ক'লে।

কচুৰ কটাৰী

তেতিয়াৰ কালত কৰ্ণাটকৰ শাসক তথা ৰজা আছিল চামুণ্ডৰায়। তেতিয়াৰ দিনৰ ৰাজ পুৰোহিতৰ নাম আছিল গুণ্ডাপ্পা।

এদিন ৰজা চামুণ্ডৰায়ে গুণ্ডাপাক ক'লে, "আজিলৈকে তুমি আমাৰ সকলো প্ৰকাৰৰ দেৱী কাৰ্য্য সুকলমে সম্পন্ন কৰিছা। তোমাৰ প্ৰতি মই পৰিপূৰ্ণ সন্তুষ্ট। তোমাৰ মনত যদি কিবা বিশেষ ইচ্ছা তথা বাসনা আছে—মোক কোৱাঁ। মই সাধ্যে কুলায়মানে পূৰণ কৰিম।"

এই কথাৰ উত্তৰত ৰাজ পুৰোহিত গুণ্ডাপাই ক'লে, "মহাৰাজ, আপোনাৰ কৃপাত মোৰ একোৰেই অভাৱ নাই। কিন্তু—মোৰ মনত কিছুদিনৰপৰা এটা বিশেষ বাসনাই বাহ লৈছে। এই বাসনা হ'ল—কোনোবা এখন অঞ্চলৰ বা জিলাৰ প্ৰশাসক হৈ চোৱাৰ বাসনা।"

"ঠিক আছে, সেয়ে হ'ব।" ৰজাই মৃদুকৈ হাঁহি ক'লে।

সিদিনাই দেৱগিৰি জিলাৰ প্ৰশাসক নিযুক্তিকৰণৰ কথা আছিল। ৰজাই ৰাজ পুৰোহিতক কৈ দিয়াটোৱেই ভাল হ'ব। সেইদেখি ৰজাই পুৰোহিতক ক'লে:

"শুনা গুণ্ডাপা, প্ৰশাসক এজনে সদায় ক'লামুখীয়া হৈ থাকিব লাগে (অৰ্থাৎ—সদায় কৰ্মচাৰী বিলাকৰ পৰা দূৰত্ব বজায় ৰাখি গহীন-গম্ভীৰ গোমটা হৈ চলিব লাগে, কাকো সহজভাৱে ওচৰ চাপিবলৈ দিব নালাগে)।

"প্ৰশাসক এজনে সদায় আনৰ কাণ টানি ধৰিব লাগে (অৰ্থাৎ—কৰ্মচাৰী বিলাকে আনকি সৰু-সুৰা দোষ ত্ৰুটি

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



অভ্যৰ্থনা জ্ঞাপন কৰিবলৈ প্ৰস্তুতি ল'লে।

দেৱগিৰিৰ নতুন প্ৰশাসক গুণ্ডাপাই তেওঁৰ মূৰৰ ওপৰত টাপি-টোপোলা লৈ দেৱগিৰিলৈ বুলি ধলপুৱাতে ওলাল। টোপোলত তেওঁৰ চোলা-চুৰিয়া ইটো-সিটো আৰু চিৰা-গুৰো আছিল।

ইপিনে—নতুন প্ৰশাসকৰ বাট চাই চাই দেৱগিৰিৰ ৰাজকৰ্মচাৰীসকল অধৈৰ্য্য হৈ উঠিছিল। প্ৰায় সাঁজ লাগোঁ লাগোঁ হৈ আহিছিল। এনেতে হঠাৎ বহু দূৰত এটা ছায়ামূৰ্তিৰ দৰে দেখা গ'ল। ক্ৰমাত ছায়ামূৰ্তি স্পষ্ট হৈ উঠিল। মূৰৰ ওপৰত বিৰাট টোপোলা এটা কঢ়িয়াই লৈ যিজন মানুহ আহিল, বৈ থকা ৰাজকৰ্মচাৰীসকলে সেইজন মানুহক সুধিলে, "হেৰি, বাটত কোনোবা ডাঙৰ মানুহক গাড়ীত উঠি আহি থকা দেখা পাইছেনে?"

গুণ্ডাপাই মিচিকীয়াই হাঁহি সুধিলে, "ডাঙৰ মানুহ মানে—?"

"মানে—"ৰাজকৰ্মচাৰী এজনে ক'লে, "আমাৰ দেৱগিৰিৰ নতুন প্ৰশাসক আজি অহাৰ কথা আছে।"

গুণ্ডাপাই তেওঁৰ কঁকালৰ খোচোনাত গুঁজি থোৱা ৰজাৰ আজ্ঞাপত্ৰ উলিয়াই ৰাজকৰ্মচাৰী সকলক দেখুৱালে।

দেখি ৰাজকৰ্মচাৰীহঁত চঁক খাই উঠিল।

কৰিলেও ৰেহাই দিব নালাগে, শাস্তি প্ৰদান কৰি সাৱধান কৰিব লাগে)।

"প্ৰশাসক এজনে আনৰ টিকনি নিজৰ হাতত ল'ব লাগে (অৰ্থাৎ—শাসকে তেওঁৰ কৰ্মচাৰীবিলাকক যিমানদূৰ সম্ভৱ আয়ত্তাধীন কৰি ৰাখিব লাগে, কৰ্মচাৰী বিলাকৰ সদায় ততত ধৰি তুইঁত হগা বোন্দা যেন কৰি ৰাখিব লাগে)।"

তাৰ পাছত ৰজাই গুণ্ডাপাৰ হাতত গুণ্ডাপাক দেৱগিৰিৰ শাসক হিচাপে নিযুক্তিৰ আজ্ঞা-পত্ৰ দিলে।

দেৱগিৰিৰ ৰাজকৰ্মচাৰী সকলে এই নিযুক্তিৰ খবৰ পাই নতুন প্ৰশাসকক

ৰজাই যে এনেকুৱা এজন মানুহক প্ৰশাসক হিচাপে নিযুক্তি দিব—ৰাজকৰ্মচাৰীইঁতৰ কল্পনাৰো বাহিৰ আছিল। কিন্তু—ৰজাই কাক নিযুক্তি দিব-নিদিব—সেই কথাৰ বিচাৰ কৰোঁতা কোনো নাই। গতিকে—ৰাজকৰ্মচাৰীবৰ্গই গুণ্ডাপাক যথোচিত আদৰ-সাদৰ কৰি আগবঢ়াই লৈ গ'ল আৰু এনে আদৰ-অভ্যৰ্থনা পাই গুণ্ডাপা অহংকাৰত ফুলি ঢোল হ'ল।

নাওপেটা গুণ্ডাপাই জোখে-জোখাৰে খোৱা-বোৱাৰ পাছত ৰাজকৰ্মচাৰী এজনক ক'লে, "খুৱাল-বুৱালা চব কৰিলা। পিছে—তাম্বুল যে নিদিলা—?"

কৰ্মচাৰীজনে তৎক্ষণাৎ গুণ্ডাপাক তাম্বুল আনি দিলে।

"কেৱল তাম্বুল—? দক্ষিণা নিদিবা?" গুণ্ডাপাই হাঁহি হাঁহি সুধিলে।

এই নতুন প্ৰশাসক যে আগতে পুৰোহিত আছিল, আৰু এনেবোৰ দান-দক্ষিণা লোৱাত অভ্যস্ত, এই কৰ্মচাৰীজনে জানিছিল। সেইহে, তেওঁ নতুন প্ৰশাসকক এটা টোপলাত এশ আচৰফি (সোণৰ মোহৰ) দিলে দক্ষিণা হিচাপে।

এটা নহয় দুটা নহয়, এশ আচৰফি পাই গুণ্ডাপা বহুত খুছী হ'ল আৰু কৰ্ম-চাৰীজনক ক'লে, "ঠিক আছে, অলপ পাছত মই দফতৰলৈ যাম, তোমালোকৰ কাম-বন চামগৈ। তোমালোকে নিজ নিজ কাম কৰি থাকাগৈ।"

কৰ্মচাৰীজন গুচি যোৱাৰ পাছত গুণ্ডাপাই ভাবিলে: মহাৰাজে কৰ্মচাৰী-ইঁতৰ আগত সদায় ক'লামুখীয়া হৈ ওলাবলৈ কৈছিল। গতিকে—মুখখন ক'লা কৰি লোৱা যাওক।

যেন ভবা তেন কাম, গুণ্ড'প্পা তেওঁৰ নাম। গুণ্ডাপাই তেওঁৰ গোটেই মুখখনত কাজল সানি ল'লে আৰু তেনেকৈ দপ্তৰলৈ গ'ল।

নতুন প্ৰশাসকৰ মূৰ্তি দেখি ৰাজ-

কৰ্মচাৰীহঁতৰ চূৰ্তি হেৰাল। ঢেলুক ঢেলুক চকুৰে চাই সিহঁত চুপচাপ হৈ থাকিল।

মহাৰাজে কৈ দিয়া অন্য এটা বিশেষ কথা আছিল—প্ৰশাসক এজনে সদায় আনৰ কাণ টানি ধৰিব লাগে। নতুন প্ৰশাসক গুণ্ডাপাই এজন কৰ্মচাৰীক হাত-বাউল দি মাতিলে। আৰু কৰ্মচাৰী-জন মহৎ লোকৰ অনুগ্ৰহ পোৱাৰ আশাৰে কাষ চাপি অহাৰ লগেলগেই গুণ্ডাপাই সেই কৰ্মচাৰীজনৰ কাণত টানি ধৰিলে।

দেখি—অবাক হোৱা অন্যান্য ৰাজ-কৰ্মচাৰীয়ে ভাবিলে যে এইজন সহকৰ্মীয়ে নিশ্চয় কিবা গুৰুতৰ অন্যায় কৰাতহে নতুন প্ৰশাসকে তেনেহেন শাস্তি দিলে। গতিকে—তেওঁলোক চুপচাপ হৈ থাকিল।

তাৰ পাছত ৰজাৰ শেষ উপদেশ। প্ৰশাসকে আনৰ টিকনি নিজৰ হাতত ল'ব লাগে।

এইযাৰ কথা ন-প্ৰশাসক গুণ্ডাপাই বহি বহি ভাবি আছিল, ভাবি আছিল, ভাবিয়েই আছিল। গুণ্ডাপাও দপ্তৰৰপৰা নোযোৱা হ'ল, কৰ্মচাৰীহঁতো বহি থাকিবলৈ বাধ্য হ'ল। ক্ৰমে বেলি গ'ল, সাঁজ লাগি ভাগিল, ৰাতি হ'ল। গুণ্ডাপা তেতিয়াও তাত বহিয়েই আছিল।

হঠাৎ গুণ্ডাপাই দেখিলে যে—ৰাজকৰ্মচাৰীহঁতে শুই নিঃপালি দিলে। আৰু তেতিয়া — গুণ্ডাপাই কেঁচিৰে আটাইবোৰ ৰাজকৰ্মচাৰীৰ মূৰৰপৰা একোচাকৈ চুলি তথা টিকনি কাটি ল'লে।

আৰু পাছদিনা—মহাৰাজৰ উপদেশ আখৰে আখৰে পালন কৰাৰ কথা পুৰোহিত গুণ্ডাপাই যথেষ্ট বাহাদুৰিৰে সৈতে নিজ মুখে মহাৰাজক ক'লেগৈ।

শুনি থোহ-মোহ খাই মহাৰাজে তৎমুহূৰ্তেই গো-মাৰ্গা গুণ্ডাপা নামৰ কচুৰ কটাৰীক প্ৰশাসকৰ পদৰপৰা বৰ্খাস্ত কৰি নিজৰ ভুলৰ পৰাচিত কৰিলে।



চেঁচা বায়ুমণ্ডলৰ অন্তৰালত থাকে হিম-শীতল শুষ্ক বায়ু। এই বায়ুৰ যেতিয়া উষ্ণ বায়ুৰ সৈতে সংঘৰ্ষ হয়, তেতিয়া ইয়াৰপৰা কোটি অৰ্বুদ বুৰবুৰনি উৰ্ধগামী হৈ উঠে আৰু পনীয়া ডাৱৰৰ সৃষ্টি হয়। ডাৱৰৰ ভিতৰত থকা নিম্নচাপ গোট বান্ধি এটা চুঙাৰ দৰে হৈ যায় আৰু এই নিম্নচাপে যেতিয়া ভূভাগ স্পৰ্শ কৰে তেতিয়া এক প্ৰচণ্ড গতিৰে বা' মাৰলীৰ ৰূপ লৈ সেই বায়ু চকৰি ঘূৰাদি ঘূৰি থাকে।

বা' মাৰলীয়ে ঘণ্টাই প্ৰতি ৩০০ মাইল (৪৮০ কিল'মিটাৰ) বেগেৰে ১৩২০ ফুট বহল ঠাইৰ সকলো বস্তু ধ্বংস কৰিব পাৰে।

আমেৰিকাৰ মধ্য-পশ্চিম অঞ্চলত বসন্তকালি প্ৰায় ১৫০ বাৰকৈ এনে বা'মাৰলী বলি যায়। ১৯৬৫ চনত এই অঞ্চলত বা' মাৰলীয়ে ২০০ মানুহ মাৰিছিল। এনেবোৰ বা' মাৰলীয়ে ৰুশ্ দেশ আৰু আফ্ৰিকাতো ধ্বংসযজ্ঞ পাতে।



আমেৰিকাৰ উটা নামৰ ঠাইত থকা ন্যাশ্বনাল পাৰ্কত থকা ধনুভিৰীয়া শিলচটা হ'ল পৃথিৱীৰ সৰ্বাতোকৈ বৃহৎ প্ৰাকৃতিক ধনুভিৰীয়া শিল। এইডোখৰ দীঘলে ২৮১ ফুট (৮৯ মিটাৰ)। এই পাৰ্কত আৰু ভালেমান ধনুভিৰীয়া শিল আছে, যিবোৰ ১৫ কোটি বছৰৰ আগেয়ে ক্ষয়ৰপৰা সৃষ্টি হৈছিল।

বালি-শিলৰ মাজত বৰযুণৰ টোপালাবোৰ সোমাই ক্ৰমে ক্ৰমে বতাহ, বৰফ আদিয়ে শিলৰ গাত বিন্ধাৰ সৃষ্টি কৰে আৰু পাছত এই অৱস্থা প্ৰাপ্ত হয়।

ক্ষয়কাৰ্য্য অহৰ্নিশে চলিয়েই আছে। এদিন-নহয়-এদিন ধনুভিৰীয়া শিলাবোৰো ক্ষয় হৈ হৈ খণ্ড-বিখণ্ড হৈ নিশ্চয় নোহোৱা হ'ব।

WANTED

Teddy and his cronies Wobbit, Bow Wow, Papa Hare and Jumbo are on the loose in this city. They've already broken into several homes. Don't be misled by their soft and cuddly looks. They're trained to take on the toughest torture test ever — childhandling. It's also rumoured that they cast a magical spell over kids that can't be reversed. So... watch out. You may be the charmers' next target.

CUDDLES

Stuffed toys

CHANDAMAMA TOYTRONIX

In collaboration with Sammo Corporation, S.Korea

Because making toys is no child's play

Chandamama Toytronix Private Limited, Chandamama Buildings, 188, NSK Salai, Vadapalani, Madras - 600 026.

Mudra:M:CTPL:4989

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯০ চনৰ ছেপটে'মবাৰ সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯০ চনৰ জুলাই মাহৰ ১৫ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

১৯৯০ চনৰ মে' মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : দ্বিতীয় ফটো :

অনিবাৰ্য্য কাৰণত এইবাৰৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ পুৰস্কাৰ স্থগিত থাকিল।

পুৰস্কাৰ প্ৰাপক :

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৩৬.০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৰা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী. গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্‌,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আঁৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৮১·০০ ● উৰাজাহাজ-যোগে ১৫৬·০০

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে ৮৭·০০ ● উৰাজাহাজ-যোগে ১৫৬·০০

আপোনাৰ বৰঙণি বেৱল ডিমাণ্ড ড্ৰাফ্‌ট্‌ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ
চাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬



School Children!
ENTER THE
JUNIOR
QUEST
Where finding out is fun
'YOUNG GENIUS' CONTEST!
Win a full year's scholarship!
And hundreds of other exciting prizes!
See the July issue of Junior Quest for details.

লোভনীয়
আমৰ ফ্ৰুট বাৰ
কৰা হ'ল
সজীৱতা
অক্ষুণ্ণ থকাকৈ
পেক কৰা
nutrine
Naturo
MANGO FRUIT BAR
nutrine
Naturo
MANGO FRUIT BAR
এতিয়া, আমৰ বতৰ
বছৰটোত বাৰ মাহেই!
ইমান সুবিধা...ইমান সোৱাদ!
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets